চান্দমামা

জানুয়ারি ১৯৮৬



“অলপ সময় লৈ ভাবি-চিন্তি আজি
তাৰে তোমাৰ খেলাঘৰ লোৱা ভাই আজি!”

–ফেভিফেইৰী



লৰা-ছোৱালীকৈ কিবা গঢ়িবলৈ
ইটো-সিটোৰে সময় কটাবলৈ
অতিকৈ মজাদাৰ
ফেভিকল এম-আৰ
আমোদেই মাথো মহত্ব
হাত বহি গৈ শেষত হবগৈ
এজন ডাঙৰ যন্ত্ৰবিদ।
এয়া মাথো মনোহাৰী খেলনাৰ
বিধে বিধে নমুনা
ঘৰ, দুৱাৰ, ঘোঁৰা, হাতী,
বাঘ আৰু কত'যে কি।
ঘৰ, আলমাৰী, চকী-মেজ
য'তেই লগোৱা
জোৰা হয় বহুত কঠিন
টিকেও বহু বেছি দিন।
নিখুঁত হৈ ৰয়' চিৰকাল
চিৰ সঙ্গী তোমাৰ
ফেভিকল এম-আৰ।

জিম্বো হাতী এটি ধাপে ধাপে কেনেকৈ তৈয়াৰ কৰিব, সেই বিষয়ে বিনামূলীয়া তথ্যৰ কাৰণে কুপনখন পঠিয়াওক বা যোগাযোগ কৰক এই ঠিকনাত : ফেভি ফেইৰী পো: বক্স ১১০৮৪, বোম্বাই ৪০০ ০২০।

জিম্বোই সকলোবোৰ পেলনীয়া কাগজ সামগ্ৰি লৈ আপোনাৰ কোঠাটো পৰিষ্কাৰকৈ ৰাখিব।

জিম্বো হাতী এটি ধাপে ধাপে কেনেকৈ তৈয়াৰ কৰিব, পাৰি, সেই বিষয়ে বিনামূলীয়া তথ্যৰ কাৰণে কুপনখন এই ঠিকনালৈ পঠিয়াওক : ফেভি ফেইৰী, পোষ্ট বক্স নং ১১০৮৪, বোম্বাই ৪০০ ০২০।

নাম: ______________________

বয়স: ______________________

ঠিকনা: ______________________

____

চহৰ: ______________________

ৰাজ্য: ____________ পিন: ____________

তোমাৰ মাহেকীয়া জার্নেল ফেভিক্ৰাফট পাবানে? হয়/নহয় (Ch)

ফেভিকল এম-আৰ
চিন্থেটিক এধেচিভ

উত্তম বস্তু গঢ়িবলৈ হলে উত্তম বস্তুৰেই জোৰা দিব লাগে!

OBM/6379 ASM

® হৈছে ... আৰু ফেভিকল হ'ল পিডিলাইট ইণ্ডাষ্ট্ৰীজ প্ৰাঃ লিঃ, বোম্বাই ৪০০ ০২১-ৰ ৰেজিষ্টাৰ্ড ট্ৰেডমাৰ্ক।


NP
Dubbleyum
PRESENTS
A NEW WORLD OF LOVE & ADVENTURE
FUN & FROLIC!
Look for the LUCKY COUPON in
NP
Dubbleyum
Packet
COLLECT
One latest comic book
for 12 lucky coupons
or
The latest edition of
Enid Blyton or
Mills & Boon novel
for 30 lucky
coupons
DOUBLE COLOURS
DOUBLE FLAVOURS
DOUBLE SIZE AND
BIGGER BUBBLES
NP
Dubble yum
SOFT & JUICY
BUBBLE GUM
The National
Products
BANGALORE-32
NOTHING CAN BEAT A NP BURST OF FROLIC

Will you be there

Puri. The temple of Lord Jagannath. Garland around her neck and vermillion on her forehead, the 9-year-old bride of the Lord pledges her faith to Him amidst all the pomp and ceremony of a true Oriya wedding. No longer an ordinary girl, she is now the earthly consort of Puri Jagannath ...

The fascinating story of the dasis of Puri. Watch it come alive in the pages of the Heritage.

The Heritage: magazine or mini library?

The Heritage is an amazing storehouse of information: every issue is a unique compilation of facts that answer some of the most intriguing questions.

How were black ants used in ancient surgery?

Why do the Charans of Rajasthan worship rats?

What light does Ramanujam's 'lost notebook' throw on Number Theory?

And more ...

Fascinating articles month after month, on every aspect of Indian culture. Stories about the land, its history, its people, their customs, their arts and crafts ...

Travelogues that capture the spirit of little known places and exotic lands.

From the publishers of Chandamama

THE HERITAGE

It's worth preserving. Every issue of it.

for the Devadasi wedding?

Updates and flashbacks on science and technology.

Lucid articles that interpret Indian mythology and philosophy in terms the modern reader can understand.

All of which makes the Heritage a fascinating way to catch up with the past and the present.

A fiction bonanza in every issue

Every issue of the Heritage carries at least three short stories and a novelette, written by some of the most well known contemporary fiction writers. Ruskin Bond. Edith Pargeter. Manoj Das. And the best of Indian language fiction, translated to keep the flavour of the original.

A galaxy of well-known authors

The Heritage carries articles by some of the most famous names in contemporary Indian literature and journalism. Regular contributors include Mulk Raj Anand. M N Das. M P Pandit. K A Abbas.

And an expert panel of academicians who are authorities in their fields.

Start your Heritage library today

The Heritage now offers readers a unique money-back subscription scheme. Fill in the coupon below and enclose your annual subscription with it. If you are not satisfied with the first issue, please return it to us with your comments within ten days, and we will refund your money in full.

Yes, I want to start my Heritage collection right away. I am enclosing a DD/MO for Rs 72/- towards annual subscription.

Name : ....

Address : ....

....

Mail your subscription to : **Dolton Agencies, 188 N.S.K. Salai, Vadapalani, Madras 600 026.**

CMP-1825

"এটাৰ পাছত আনটো বলৰ মাজত যে মই শ্লোক উচ্চাৰণ কৰোঁ, কথাটো সঁচা। ইও সঁচা যে দিনে দুবাৰকৈ মই নিতৌ মলটোভা খাওঁ যাতে ব'লিং আক্ৰমণ কৰিবলৈ মই পাওঁ শক্তি।"

— ষ্টাৰ বেটচমেন কে. শ্ৰীকান্ত'এ তেওঁৰ গুপুত তথ্যৰ কথা এইদৰে কয়।



"মোৰ পুৱাটো আৰম্ভ হয়
এমগ গৰম চকোলেট ভৰা
মলটোভাৰে।
মলটোভা হৈছে
একমাত্ৰ ড্ৰিংক

য'ত আছে ঘনীভূত মল্টৰ গুণ,
খাঁটি সৰযুক্ত গাখীৰ, তৃপ্তিদায়ক
কোকোৱা আৰু চেনি।
খেলতেই বোলক বা বাহিৰত,
স্বাস্থ্য, শক্তি আৰু স্ফূৰ্ত্তিৰ কাৰণে
মোক লাগে মলটোভা।
দিনে দুবাৰকৈ নিতৌ মলটোভা
খাওক, হৈ পৰক চেম্পিয়ন।"

নতুন
মলটোভা

স্বাস্থ্য, শক্তি আৰু স্ফূৰ্ত্তিৰ বিজয়সূচক মিলন!

FSA/JIL/2/85•ASM

চান্দমামা

সংস্থাপক: চক্রপাণি

সঞ্চালক: বি নাগিৰেড্ডি

বহু সংখ্যাত ধাৰাবাহিকভাৱে ওলোৱা 'কাঁহৰ কিল্লা' কি আৰু ক'ত—এইবাৰহে জানিব পৰা হ'ব। মানুহৰ মন যে কেতিয়াবা কিমান ঠুনুকা হৈ পৰে—'বেতাল-কথা'ত সেই কথা কোৱা হৈছে। লগতে অন্যান আকৰ্ষণীয় বিচিত্ৰ গল্প কাহিনী এইবাৰো আছে। আৰু আছে এটা অতি আৱশ্যকীয় বিজ্ঞাপন। 'চান্দমামা'ৰ গ্ৰাহক হ'বলৈ হ'লে কি কৰিব লাগিব, কোন ঠিকনালৈ টকা পঠাব লাগিব তাৰ বিজ্ঞাপন এই সংখ্যাত চাওক।

অমৰ-বাণী

চোৰে দেৱালয়ে স্বৰ্ণ মন্বিষ্যতি ন দৈৱতম্।
গৃহে প্ৰৱিষ্টঃ শুনকঃ ভাণ্ডান্বেষী ভবেং খলু॥

[ঘৰত সোমোৱা কুকুৰে খোৱাবস্তু বিচাৰি ফুৰে। মন্দিৰত সোমোৱা চোৰে দেৱতাক নেদেখি দেৱতাৰ দেহৰ অলংকাৰহে দেখে। স্বভাৱৰ পৰিৱৰ্তন অতি অসম্ভৱ।]

বছৰ: ১০ জানুৱাৰি ১৯৮৬ সংখ্যা: ১০

খনে: ২'৫০ টকা: বছৰেকীয়া বৰঙণি: ৩০'০০ টকা

A CHANDAMAMA PUBLICATION

SANKAR

আৰু লগতে ফৰহেন্স ফ্লোৰাইদ'এ
যোগায় সেই সুবিদিত
ফৰহেন্স যত্ন

FOR THE GUMS
Forhan's
with active FLUORIDE to check tooth decay

ফৰহেন্স ফ্লোৰোইদ। আলু সুদঢ় কৰে। দন্তছিদ্ৰ ৰোধ কৰে।

404 GM-183 ASM

চান্দমামাৰ থুতুৰা-খবৰ



ইংৰাজী জনা চিম্পাঞ্জী

আটলাণ্টাত চাৰিকুটিয়া এটা চিম্পাঞ্জীয়ে গুটিদিয়েক ইংৰাজী শব্দৰ অৰ্থ বুজি পায়। ইংৰাজীত প্ৰশ্ন কৰিলে চিম্পাঞ্জীটোৱে মুখেৰে উত্তৰ দিব নোৱাৰে; পিছে— কেইডালমান আঁচ টানি প্ৰশ্নৰ উত্তৰ দিয়ে।

বিৰাট নক্ষত্ৰ

আমেৰিকাৰ আৰিজ'না: কিটপিক্ নেশ্যানেল অব্‌জাৰ-ভেটৰিৰ কেইগৰাকীমান বিজ্ঞানীয়ে আজিকোপতি অনাৱিষ্কৃত এক বিৰাট নক্ষত্ৰৰ সন্ধান পোৱা হৈছে। এই নক্ষত্ৰ পৃথিৱীৰপৰা এক বিলিয়ন (এক লাখ কোটি) আলোকবৰ্ষৰ দূৰত্বত অৱস্থিত বুলি জ্যাকুবাৰ্ণছ নামৰ বিজ্ঞানী এগৰাকীয়ে অভিমত প্ৰকাশ কৰিছে।



কথা কোৱা-টকা

কেনাডাত দৃষ্টিহীনসকলৰ বাবে কথা-কোৱাৰ-টকা নিৰ্মাণৰ প্ৰচেষ্টা চলোৱা হৈছে। এই টকাই নিজেই ইংৰাজী আৰু ফৰাছী ভাষাত কৈ দিব যে তাৰ মূল্য বিমান।

জানিবলগীয়া

১। যন্ত্ৰসংগীত আৰু নৃত্য পৰিবেশন কৰি পাশ্চাত্যদেশত খ্যাতি অৰ্জা দুগৰাকী ভায়েকক-কায়েকৰ নাম কি?

২। পান্নালাল ঘোষে কি যন্ত্ৰ বজাই ছিল?

৩। ভাৰতবৰ্ষৰ বিখ্যাত চেহ্‌নাই (চানাই) বাদকৰ নাম কি?

৪। বেগম আখতাৰে কেনেধৰণৰ গান গাইছিল?

৫। ১৯৬৬ চনত ৰাষ্ট্ৰসংঘৰ উদ্বোধনৰ-সংগীত কোনে পৰিবেশন কৰিছিল?

[উত্তৰ: ৬৫নং পৃষ্ঠাত]

পুৰাণ-গাথা

ইন্দ্ৰদ্যুম্ন

ইন্দ্ৰদ্যুম্ন নামৰ এগৰাকী ৰজাই বহুকাল ইন্দ্ৰলোকত অতিবাহিত কৰিলে। এদিন দেৱতাসকলে ইন্দ্ৰদ্যুম্নক ক'লে, ভূলোকত তোমাৰ কীৰ্তি বিলুপ্ত হ'ব ধৰিছে। এতিয়া আৰু ইন্দ্ৰলোকত নাথাকি তালৈ যোৱা।" এই বুলি কৈ, তেওঁক ভূলোকলৈ পঠালে।

ভূলোকলৈ গৈ ইন্দ্ৰদ্যুম্নই অৰণ্যৰ বাটেদি বাট বুলি বুলি গৈ থাকোঁতে হঠাৎ মাৰ্কণ্ডেয় মুনিক লগ পাই তেওঁক সুধিলে, "তুমি মোক চিনিপাইছানে ?"

"ওহোঁ নাপাওঁ চিনি।" মাৰ্কণ্ডেয় মুনিয়ে ক'লে।

"তোমাতকৈয়ো ডাঙৰ কোনোবা আছেনে ?" ইন্দ্ৰদ্যুম্নই সুধিলে।

"মোতকৈ ডাঙৰ—প্ৰবাৰকৰ্ণ নামৰ পেচক (ফেঁচা)। ব'লা তেওঁক সোধোঁগৈ কথাটো।" এই বুলি কৈ, ইন্দ্ৰদ্যুম্নৰে সৈতে মাৰ্কণ্ডেয় পেচক প্ৰবাৰকৰ্ণৰ ওচৰলৈ গ'ল।

পেচক প্ৰবাৰকৰ্ণই ইন্দ্ৰদ্যুম্নক ক'লে, "তোমাক মই চিনি নাপাওঁ। পিছে—নালীকজংঘ নামৰ বক (বগলী) মোতকৈ ডাঙৰ। ব'লা তেওঁক সোধোঁগৈ।" এই বুলি কৈ, তিনিও বকৰ কাষ চাপিল।

সকলো কথা শুনাৰ অন্তত নালীকজংঘই ক'লে ইন্দ্ৰদ্যুম্নক, "তুমি যে কোন—মই কিন্তু মনত পেলাব পৰা নাই। ব'লা তেনে—কচ্ছপ (কাছ) আকুপাৰ ওচৰলৈ যোৱা য'ক, তেওঁকে সোধোঁগৈ কথাটো।"

কচ্ছপৰাজ আকুপাৰে ইন্দ্ৰদ্যুম্নক ক'লে, "হে ৰজা, আপুনি যে দানশীল ইন্দ্ৰদ্যুম্ন সেই কথাটি মইনো কিমতে পাহৰোঁ ? আপুনি যে পুষ্কৰিণী (সৰোবৰ) দান কৰিছিল—অদ্যাপি আপোনাৰ সেই কীৰ্তি অম্লান হৈ আছে।"

পাছমুহূৰ্ততে দেৱলোকৰপৰা দিব্যৰথ নামি আহিল আৰু দেৱদূতসকলে ইন্দ্ৰদ্যুম্নক ক'লে, "হে ৰজা ইন্দ্ৰদ্যুম্ন, ভূলোকত এতিয়াও তোমাক কীৰ্তি অক্ষুণ্ণ। তুমি ৰথোপৰি আৰোহণ কৰা আৰু আমাৰ লগত দেৱলোকলৈ ব'লা।" ইন্দ্ৰদ্যুম্ন পুনৰ ইন্দ্ৰলোকলৈ গুচি গ'ল।

আচৰিত উপকাৰ

কনকৰ গিৰিয়েকৰ নামো কনক। ইজনী কনকপ্ৰভা, সিজন কনককুমাৰ। ই বোলে মোক চা, সি বোলে মোক। দুয়ো লাখৰ-বাখৰ কৰি দিন কটায়। ৰজাৰ জী আইদেউ কনকপ্ৰভাই বন-বাৰি নকৰে; আৰু ৰগ চিনি পোৱা ডেকাদেও কনককুমাৰেও দিনটো ৰচক-পচককৈ ফুৰে। কিন্তু ৰাতিৰ পৰতে কথা আন। তেতিয়া দুয়ো চুৰি-চাপাচী কৰিবলৈ ওলায়।

বিয়াৰ পাছত এদিন কনকপ্ৰভাই এখন পাটৰ শাড়ী খোজাত কনককুমাৰে সেই নিশাতে ভাল চাই পাটৰ শাড়ী এখন চুৰি কৰি আনি দিলে। গিৰিয়েকে যে ক'ৰপৰা কেনেকৈ এই বাছকবনিয়া শাডীখন কোৱামাত্ৰেই লৈ আহিল, কনকপ্ৰভাই ফটফটীয়াকৈ বুজি পালে, আৰু সিদিনাপেৰাই দুয়ো একমতি একমন একপ্ৰাণ হৈ পৰিল।

সিহঁতহাল সদায় ভাড়া ঘৰতেহে থাকিছিল। য'তে ঘৰ লৈছিল, তাৰ ওচৰে-পাঁজৰে চুৰি-তাৰি কৰিছিল। কিবা কাৰণত অলপ সন্দেহ হোৱামাত্ৰেই সিহঁত তাৰপৰা গুচি আন ঠাইত ঘৰ লৈছিলগৈ।

এতিয়া যিটো ঘৰত আছিল সিহঁত, সেই ঘৰটোৰ পিছফালে আছিল এখন ফুলনি। কনকপ্ৰভাই নানান বৰণৰ ফুলেৰে এডাল মালা গুঁঠি তাইৰ চুবুৰীয়া এজনীক ক'লেগৈ, "বাইদেউ, এই মালাডাল মই নিজ হাতেৰে গুঠিলোঁ। আপুনি খোপাত ল'লে আপোনাক বৰ শুৱাব।" কনকৰ কথা শুনি প্ৰতিবাসিনীয়ে বৰ ভাল পালে। এয়ে আৰম্ভণি। তাৰ

বীৰেন্দ্ৰকুমাৰ শৰ্মা

পাছৰপৰা সদায় অহা-যোৱা, খোৱা-বোৱা, কথা কোৱা, আৰু লগতে ইটো-সিটো লোৱা। অৰ্থাৎ এই ঘৰৰপৰা কনকপ্ৰভাই প্ৰায়েই ঘটি-বাটি-কাঁহি আদি চৰি কৰাত লাগিল। কেৱল এইখন ঘৰতে নহয়, কনকপ্ৰভাই আশে-কাষে থকা অন্যান্য ঘৰতো চুৰি কৰিবলৈ ধৰিলে।

এদিন কনকপ্ৰভাই তাইৰ গিৰিয়েক কনককুমাৰক ক'লে, "তোমাৰ দেখোন আজি-কালি কাম-বন কৰিবৰ একেবাৰে সাধন নোহোৱা হ'ল। মই অনা কাঁহী-বাটীবোৰ বেচি ফাঙুচ উৰোৱাদি উৰাই থাকিলেনো কেইদিন এনেকৈ চলিবা?"

"মই তেন্তে—কি কৰিম—মানে—কি কৰিব লাগিব কোৱাচোন?" কনক-কুমাৰে অসহায় হৈ যেন ক'লে।

"কাম-বন কৰিবা, আৰু কি কৰিবা।" কনকপ্ৰভাই ক'লে।

"কি কাম!" কনককুমাৰে অবাক হৈ সুধিলে।

"কি কাম আক'—যাৰ যি কাম। ভগৱন্তই যাক যি কামৰ বাবে পঠিয়াইছে পিথীৰীলৈ। চুৰি—চুৰি কৰিবা।" বুজাই-ফুটাই কনকে কনকক ক'লে, "আমাৰ চুবুৰীয়া কণমাইহঁতৰ কলৰ থোকটো দেখিছানে নাই? কমেও দহোকুৰি কল হ'ব থোকটোত।"

সেই নিশাই কনককুমাৰে হেলাৰঙে কল থোকা চুৰি কৰি লৈ আহিল আৰু হেঁপাহ-ফোঁপাই কনকপ্ৰভাক ক'লেহি, "এছ! কাম-বন নৰাকৈ যিহে মেদেলাটো হৈ পৰিছোঁ! এথোক কল আনোতেই মোৰ ধনঞ্জয় বায়ু উৰিল! গোসাঁয়ে মোক ভাত নোহোৱা খাটতে থয়নে কি!"

তাৰ পাছত বিছনালৈ যোৱাৰ আগতে কলথোকা একেবাৰে নেদেখা চুক এটাত ঢাকি-ঢুকি থৈ দিলে আৰু নিশ্চিন্ত মনেৰে টোপনিত লাল-কাল দিলে।

কিন্তু ধলপুৱাতে কনক আৰু কনকৰ

চিঞৰ-বাখৰ শুনি চুবুৰীয়াহঁত দৌৰি আহিল। কনকহঁতৰ ঘৰতে চুৰি হ'ল হেনো! আনকি কনকপ্ৰভাৰ ডিঙিত থকা সোণৰ হাৰডালো চোৰে লৈ গ'ল! কনককুমাৰে তাৰ বাকচত পঁচিছ হাজাৰ টকা থৈ দিছিল, সেইখিনিও নাই!

তাত অন্যান্যৰ লগত তেতিয়া কণমায়ো আছিল। হঠাৎ সিহঁতৰ কলথোকলৈ কণমাইৰ চকু পৰিল। এছেগত কণমাই সিহঁতৰ ঘৰলৈ গ'ল, আৰু গৈ দেখা পালে যে—সিহঁতৰ কলথোক তাত নাই! গছজোপা আছে, কলথোকহে নাই। দুপদুপাই কনকহঁতৰ ঘৰলৈ গৈ কণমায়ে কনকপ্ৰভাক ক'লে, "হেৰাহে, বোলোঁ—আমাৰ কলথোক তোমালোকৰ ঘৰলৈ আহিলনো কেনেকৈ?"

কণমাইৰ কথা শুনি কনক আৰু কনকৰ কন্দাকটা চিঞৰ-বাখৰ নিমিষতে বন্ধ হ'ল। সিহঁতে কলথোকলৈ, আৰু দুয়ো দুয়োলৈ চালে। সেই গুপুত ঠাইৰপৰা কোনেনো কলথোক ইয়ালৈ উলিয়াই আনিলে! দস্তুৰমত অবাক মানি সিহঁত দুটাই কলথোকৰ কাষ চাপিল। এটা কলৰ লগত এখিলা কাগজ বন্ধা আছিল। এই কাগজখিলা কণমায়ে প্ৰায় থাপ মাৰি কাঢ়ি ল'লে আৰু সকলোটিক পাঢ় শুনালে। কাগজখিলা আছিল এখিলা চিঠি। তাত লিখা আছিলঃ

'মই এজন নিবনুৱা মানুহ। পিছে—চোৰ মই কেতিয়াও নাছিলোঁ। বহুদিন ধৰি বেকাৰ অৱস্থাত থাকি মই হতাশ হৈ পৰিছিলোঁ। মই অস্থিৰ ভাৱে ঘূৰি ফুৰিছিলোঁ। ইমান দিন ধৰি, অনাই-বনাই ফুৰিছিলোঁ। আজি, ঘৰত আৰু মন নবহিল। অস্থিৰতাৰ হাত সাৰিবলৈ উদ্দেশ্যহীনভাৱে ওলাই পৰিলোঁ। যেনিয়ে চকু যায় মন যায়—তেনিলৈ। আহি আহি তোমালোকৰ এই মনোমোহা গাঁওখন পালোঁহি। হঠাৎ দৃষ্টি পৰিল তোমালোকৰ ওপৰত। এন্ধাৰৰ গাত ভেজা দি তোমালোক দুয়ো থিয় হৈ আছা এঠাইত। তাৰ পাছত তুমি জাঁপ মাৰি উঠিলা দেৱালৰ ওপৰলৈ, দেৱাল বগাই তললৈ নামিলা, কাটি আনিলা এই থোক কল। চুৰি কৰি আনিলা লোকৰ বাৰীৰপৰা কল থোক। আৰু সেই ছেগতে মই সোমালোঁগৈ তোমালোকৰ খোল খাই থকা—আৰু তোমালোক নথকা ঘৰত। চুৰিৰ কামটো সুকলমে কৰাৰ অন্তত তোমালোকে খাই-বৈ শুই নিঃপালি দিলা। আৰু ময়ো তেতিয়া তোমালোকৰ অসৎ উপাৰ্জনৰ বোজা পাতলালোঁ। মই এইখিনি ধনেৰে বেহা-বেপাৰ কৰি সৎ আৰু ভদ্ৰ জীৱনৰ পাতনি তৰিবলৈ চেষ্টা কৰিম।" ইতি—তোমালোকৰ অতি শুভাৰ্থী অচিনাকি।

এই চিঠিৰ বক্তব্য শুনি কনকপ্ৰভা আৰু কনককুমাৰৰ সম্পৰ্কে বুজিবলৈ কাৰো বাকী নাথাকিল; চুবুৰীয়াসকলে সিহঁতহালক পুলিছৰ হাতত গটাই দিব বুলি হুমিয়াই থাকিল। আৰু এছেগত কনক আৰু কনকে সকলো বস্তু-বাহানি এৰি থৈ ঘৰৰ পিছফালেদি ওলাই পলাই গুচি গ'ল। এজন অচিনাকি যুৱকে যি আচৰিত উপকাৰ কৰিলে, এই চুবুৰীৰ মানুহে সেই কথা চিৰদিনলৈ সুঁৱৰিব।

বঁটা-বেমাৰ

ৰজা সুন্দৰবৰ্মাদেৱে যেই-সেই কথাত যেই-সেই মানুহক পুৰস্কাৰ প্ৰদান কৰি আনন্দ লাভ কৰিছিল। তেওঁৰ বয়স বঢ়াৰ লগে লগে পুৰস্কাৰ দিয়াৰ অভ্যাসেও ডাল-পাত মেলিবলৈ ধৰিলে। মহামন্ত্ৰীয়ে চেষ্টা কৰিও ৰজাৰ এই অভ্যাস বন্ধ কৰিব নোৱাৰিলে।

এদিন, উদ্যানত পাইচাৰি কৰি থাকোঁতে হঠাৎ ৰজাই তাত এটা বিচিত্ৰ চৰাই দেখা পাই প্ৰহৰীক ক'লে চৰাইটো ধৰিবলৈ। ধৰিলে প্ৰহৰীয়ে। ৰজাৰ লগত থকা মন্ত্ৰী আৰু সেনাপতিলৈ চাই ৰজাই প্ৰশ্ন কৰিলে, "এই চৰাই কি চৰাই? নাম কি?"

মন্ত্ৰী-সেনাপতি আদিয়ে ক'ব নোৱাৰিলে। তেতিয়া বাটকৰা এজনে ৰজাক ক'লে "মহাৰাজ, চৰাইটো এটা নতুন চৰাই, তাৰ নাম তাকেই নোসোধে কিয়?"

"বঢ়িয়া কৈছা!" এই বুলি কৈ, ৰজাই তেওঁৰ হাতত থকা ৰাজখাৰু এডাল পুৰস্কাৰস্বৰূপে মানুহজনক দি—চৰাইটোক তাৰ নামটো সুধিলে।

তেতিয়া আন এজন বাটকৰাই আগুৱাই আহি ক'লে, "মহাৰাজ, চৰাইটো একদম কলা। আপুনি তাক বিমানেই কথা নোসোধক, সি শুনিও নাপাব, উত্তৰো নিদিব।"

ৰজাই এই মানুহজনকো আন এপদ অলংকাৰ পুৰস্কাৰ দিলে। মহামন্ত্ৰীয়ে ভাবিলে: ৰাজ-ৰাজোৱানৰ কথাৰ মাথা-মুণ্ড বিচাৰি পোৱা টান। ইয়াত থকা আটাইবোৰ মানুহেই যে উপহাৰ নাপাব—তাৰ মানে নাই। মহামন্ত্ৰীয়ে চৰাইটোক এৰি দিবলৈ প্ৰহৰীক ইংগিত কৰাত প্ৰহৰীয়ে এৰি দিলে।

মহামন্ত্ৰীয়ে ৰজাক ক'লে, "মহাৰাজ, যিটো চৰায়ে ৰজাই সুধিলেও নামাতে, নুশুনে, উত্তৰ নিদিয়ে ৰজাৰ কথাৰ—তাক লাহে দি নো কি লাভ? উৰি গ'ল, লেঠা গুচিল।"

"চা—বাইচ! চাবাইচ!" ৰজাই ক'লে, "দাৰুণ কথা, লাখ কথাৰ এক কথা কৈছাহে!" এই বুলি কৈ ৰজাই মহামন্ত্ৰীৰ ডিঙিত নিজৰ মুকুতাৰ হাৰডাল পিন্ধাই দিলে।

সন্মান

গংগাধৰ মিশ্ৰ আছিল কপূৰদেশৰ ৰজা মাণিক্যবৰ্মাৰ সভাকবি তথা বাল্যবন্ধু। কবি গংগাধৰে ভালেমান কাব্যগ্ৰন্থ ৰচি বাল্যবন্ধু ৰজাৰ হৃদয়-মন জয় কৰিছিল।

এবাৰ ৰজাই তেওঁৰ জন্মদিন উপলক্ষ্যে দেশৰ কোনোবা ডাঙৰ কবিলৈ সন্মানৰ শৰাই আগবঢ়াব বুলি স্থিৰ কৰি, সেই কবিগৰাকীকো কথাটো জনালে।

এই ঘোষণাৰ কিছুদিনৰ অন্তত কবি গংগাধৰে তেওঁৰ বন্ধু-বান্ধৱৰ সৈতে গল্প কৰি আছিল। তাত সুধাকৰ নামৰ এগৰাকী পণ্ডিত আছিল। তেওঁ কথাই কথাই কৈ উঠিল, "আমাৰ ৰজাই হেনো বিৰিঞ্চি গাঁৱৰ কবি স্বৰ্ণকুন্তলক আদৰিব। ৰজাই তেওঁৰ জন্মদিনত কবি স্বৰ্ণক মতাই পঠিয়াইছে বুলি শুনিলোঁ। যিজনে ৰজাৰ বাৰ্তা স্বৰ্ণকুন্তলৰ ওচৰলৈ গৈছিল বাহক হৈ, মই তেওঁৰপৰাই কথাটো শুনিলোঁ।"

এই কথা শুনি, তাত উপস্থিত থকা কবি এগৰাকীয়ে ক'লে, "ৰজাই এনে এক সিদ্ধান্ত ল'বই নোৱাৰে। ৰজাৰ ইমান ঘনিষ্ঠ বাল্যবন্ধু তথা বিদগ্ধ কবি গংগাধৰ মিশ্ৰই যিটো কথা নাজানিলে— তুমিহে জানিলা—এয়া হ'ব নোৱাৰে। তুমি চাগৈ আনৰ কাণেৰেহে শুনিছা।"

সুধাকৰে সেমেনাসেমেনকৈ ক'লে, "ৰজাই বিৰিঞ্চি গাঁৱলৈ পঠোৱা মানুহজনৰ পৰিবাৰ হ'ল আমাৰ ঘৰুৱা কাম কৰা মানুহজনীৰ বান্ধৱী। মানুহজনে কথাটো তেওঁৰ পৰিবাৰক কৈছিল, আৰু পৰিবাৰে কৈছিল কাম কৰা মানুহজনীক। মই এই মানুহজনীৰপৰাহে শুনিলোঁ।"

তনু বৰুৱা

ক্ষুব্ধ কবি গংগাধৰ ৰজাৰ ওচৰলৈ গ'ল। গংগাধৰৰ চকু-মুকুখত ক্ষোভ তথা বিৰক্তিৰ চিন ফুটি উঠা দেখি ৰজা মাণিক্যবৰ্মা বিস্মিত হ'ল। গংগাধৰে ৰজাক ক'লে, "ৰাজধানীত বু বু বা বা চলিছে যে আপুনি হেনো আপোনাৰ জন্মদিনৰ উপলক্ষ্যে কোনোবা এজন পদ্য-ৰচকক আদৰিব, মান ধৰিব। সেই পদ্য-ৰচকক হেনো ইতিমধ্যেই খবৰো দিলে। মই সেই পদ্য-ৰচকৰ নাম জানিব পাৰোঁনে?"

মাণিক্যবৰ্মাদেৱে মৃদুকৈ হাঁহি মাৰি ক'লে, "বৰ ভুল হ'ল, তুমি মোৰ প্ৰাণৰ বন্ধু, কথাটো তোমাকে কোৱা নহ'ল। হয়, মই এইবাৰ মোৰ জন্মদিনৰ অনুষ্ঠানত বিৰিঞ্চি গাঁৱৰ কবি স্বৰ্ণকুন্তলক মান ধৰিম বুলি স্থিৰ কৰিছোঁ।"

কবি গংগাধৰে ধীৰ শান্ত কণ্ঠেৰে ক'লে, "সুধিবলৈ লাজ লাগিছে, তথাপি সোধোঁ, এই ৰাজকীয় সন্মানৰপৰা মই কিয় বঞ্চিত হ'লোঁ?"

মাণিক্যবৰ্মাই হোহোৱাই হাঁহি মাৰি ক'লে, "মই তোমাক আন কোনোবা কবিৰ লগত তুলনা কৰি চোৱা নাই কেতিয়াও। তুমি শ্ৰেষ্ঠ কবি আছিলা, শ্ৰেষ্ঠ হৈয়েই আছা, থাকিবা। সম্প্ৰতি মই গ্ৰাম্য কবি স্বৰ্ণকুন্তলক কাব্যগ্ৰন্থ পঢ়িলোঁ। তেওঁ প্ৰতিভাবান কবি—এই কথাত সন্দেহ নাই। এতেকে—মই এইগৰাকী অখ্যাত কবিৰ মান ধৰিম বুলি স্থিৰ কৰিছোঁ।"

ৰজাৰ কথাৰ উত্তৰত কিবা ক'বলৈ ধৰোঁতেই এজন প্ৰহৰীয়ে ৰজাক ক'লেহি, "মহাৰাজ, আমাৰ বিৰিঞ্চি গাঁৱৰ কবি স্বৰ্ণকুন্তল নামৰ এগৰাকী ব্যক্তি আপোনাৰ দৰ্শনপ্ৰাৰ্থী।"

কবি গংগাধৰে কৈ উঠিলে, "দেখিলেনে? সন্মানৰ গোন্ধ পায়েই গ্ৰাম্য কবি লৰৰি আহিছে। সি যে কিমান দামৰ মানুহ বুজা গ'ল।"

ৰজাৰ সন্মতিক্ৰমে কবি স্বৰ্ণকুন্তলক ৰজাৰ সমুখলৈ লৈ অহা হ'ল। ৰজা মাণিক্যবৰ্মাদেৱে গ্ৰাম্য কবি স্বৰ্ণকুন্তলক ক'লে, "মোৰ জন্মদিনৰ অনুষ্ঠানলৈ এতিয়ালৈকো এপষ। আপুনিনো ইমান আগতে আহিল কিয় ?"

গ্ৰাম্য কবি স্বৰ্ণকুন্তলে ৰজাক ক'লে, "মহাৰাজ, উপযাচি আপোনাৰ ওচৰলৈ অহাৰ তথা আপোনাক আমনি দিয়াৰ বাবে মই সঁচাকৈয়েই দুঃখিত। কিন্তু মোক আপুনি কিয় যে আদৰিবলৈ লৈছে সেই কথাটো আপোনাৰপৰা নজনালৈকে মোৰ অশ্বস্তি হৈছে।"

ৰজা মাণিক্যবৰ্মাদেৱে অবাক মানি ক'লে, "কিয় আদৰা নহ'ব—বুলি কোনোবা কবিয়ে অভিযোগ কৰাহেঁতেন উত্তৰ দিয়াটো মোৰ পক্ষে সহজ হ'লহেঁতেন। কিন্তু—আপোনাৰ প্ৰশ্নৰ উত্তৰ কিনো দিওঁ ? কেনেকৈনো দিওঁ ?"

স্বৰ্ণকুন্তল কবিয়ে সবিনয়ে ক'লে "মহাৰাজ, আপোনাৰ সভাত মহান কবি গংগাধৰ মিশ্ৰ থাকোঁতেনো এক ঘোকোট গাঁৱৰ গ্ৰাম্য কবিক কিয় আদৰিবলৈ লৈছে —মই একেবাৰে বুজা নাই : এতেকে আপোনাৰপৰা সন্মানৰূপী উপহাৰ ল'বলৈকো মোৰ লাজ লাগি গৈছে।"

ৰজাই একো কোৱাৰ আগতেই কবি গংগাধৰে কৈ উঠিল, "হে কবি স্বৰ্ণকুন্তল, ময়েই গংগাধৰ। আপুনি যে ইমান মহান মনৰ মানুহ—সেই সম্পৰ্কে মোৰ একো ধাৰণা নাছিল। আপুনি প্ৰকৃততেই ৰাজসন্মান পোৱাৰ উপযুক্ত। কেৱল কবি হিচাপে নহয়, উচ্চ মনৰ মানুহ হিচাপেও ৰাজসন্মান আপোনাৰ প্ৰাপ্য।"

ৰজা মাণিক্যবৰ্মাই তেওঁৰ জন্মদিনৰ অনুষ্ঠান উপলক্ষ্যে সেই গ্ৰাম্য কবি স্বৰ্ণকুন্তল আৰু ৰাজকবি গংগাধৰ মিশ্ৰকো সমভাৱে আদৰিছিল।



কাঁহৰ কিল্লা

১৩

তান্ত্ৰি শংখৰ মন্ত্ৰগৃহ য'ত আছিল, কাপালিনী সেই পাহাৰলৈ গ'ল। তাত চন্দ্ৰবৰ্মা আৰু কালকেতুৱে কাপালিনীৰ বাবে এটা ঘৰ সাজি দিলে। পাছ দিনা কাপালিনী আৰু কালকেতুৰপৰা বিদায় লৈ হতাশ চন্দ্ৰবৰ্মা পুনৰ নিৰুদ্দেশযাত্ৰালৈ বাওনা কৰিলে। কিছুদূৰলৈ আগবাঢ়ি যোৱাৰ অন্তত তেওঁ লোৰ শিকলি এডাল বুটলি পালে। আৰু পাছমুহূৰ্ত্ততে কুকুৰ সদৃশ এটা ভয়ংকৰ জন্তু চন্দ্ৰবৰ্মাৰ পিনে মুখ মেলি খেদি অহা দেখি চন্দ্ৰবৰ্মাই তেওঁৰ এহাতত তৰোৱাল আৰু আন হাতত শিকলিডাল লৈ সাজু হ'ল। তাৰ পাছত······

সেই ভয়ংকৰ কুকুৰটোৱে চন্দ্ৰবৰ্মাৰ ডিঙিত কামুৰি ধৰিবলৈ জাঁপ মাৰি দিয়াৰ লগে লগেই চন্দ্ৰবৰ্মাই তেওঁৰ তৰোৱালেৰে কুকুৰটোক মাৰি পেলাবলৈ চেষ্টা দিলে। চন্দ্ৰবৰ্মাই · তেওঁৰ বাঁও হাতত থকা শিকলিডালেৰেও কুকুৰটোক প্ৰচণ্ড জোৰেৰে আঘাত কৰিলে।

লোৰ শিকলিৰ কোব খাই কুকুৰটো লুটি খাই পৰিল। এই আঘাত সহিব নোৱাৰি কুকুৰটো নিশ্চয় মৰিব বুলি

চন্দ্ৰবৰ্মাই ভাবিছিল। কিন্তু পাছ মুহূৰ্ততে তেওঁ যি দৃশ্য দেখা পালে—তাৰে তেওঁ বিস্মিত নহৈ নোৱাৰিলে। লোৰ শিকলিৰ কোব খায়ো কুকুৰটোৱে অলপ আঁতৰত থিয় হৈ নেগুৰ জোকাৰি থাকিল।

আনন্দতহে কুকুৰে নেগুৰ জোকাৰে। —ভাবিলে চন্দ্ৰবৰ্মাই: পিছে ইয়াৰনো আনন্দৰ কাৰণ কি হ'ল? চন্দ্ৰবৰ্মাই কুকুৰটোৰ সমুখত শিকলিডাল দলিয়াই দিলে। কুকুৰটোৱে শিকলিডাল শুঙিলেহি; আৰু তাৰ পাছত সেই লোৰ শিকলিডাল মুখেৰে কামুৰি ধৰি চন্দ্ৰবৰ্মাৰ ওচৰলৈ আহি পুনৰ নেগুৰ জোকাৰি থাকিল সি।

এই কাণ্ড দেখি চন্দ্ৰবৰ্মাৰ ধাৰণা হ'ল এই লোৰ শিকলিডালতো কিবা ৰহস্য তথা জাদু আছে। কুকুৰটোৰ মুখৰপৰা শিকলিডাল উলিয়াই আনি সেইডাল কুকুৰটোৰ ডিঙিত বান্ধি দিলে চন্দ্ৰবৰ্মাই, আৰু কুকুৰটোৱে নেগুৰ জোকাৰি জোকাৰি চন্দ্ৰবৰ্মাৰ চাৰিওফালে কেইপাকমান মাৰি তাৰ আনন্দ তথা কৃতজ্ঞতা প্ৰকাশ কৰিলে।

শিকলিপিন্ধা কুকুৰটোৱে চাৰিওফালে ঘূৰি ঘূৰি চালে। আৰু তাৰ পাছত বিচিত্ৰ ধৰণৰ শব্দ তথা মাত কণ্ঠৰপৰা উলিয়াই চন্দ্ৰবৰ্মাৰ ভৰিত তাৰ মুখখন ঘঁহিবলৈ ধৰিলে। কুকুৰটোৱে যে চন্দ্ৰবৰ্মাক কোনোবা এঠাইলৈ লৈ যাব খুজিছে—কুকুৰটোৰ এই কামৰপৰা চন্দ্ৰবৰ্মাই সেই কথা স্পষ্টকৈ বুজি পোৱা হ'ল। শিকলিডালৰ এমূৰত ধৰি চন্দ্ৰবৰ্মাই কুকুৰটোৰ লগে লগে গৈ থাকিল।

গৈ থাকোঁতে চন্দ্ৰবৰ্মাই ভাবিলে: এই কুকুৰটো সঁচাকৈয়ে কুকুৰেইনে? নে আন কিবা? কিন্তু চন্দ্ৰবৰ্মাই তেওঁৰ এই প্ৰশ্নৰ উত্তৰ নোপোৱা হ'ল।

কুকুৰটোৱে কত যে পাহাৰ, অৰণ্য আদি পাৰ হৈ, নৈৰ কাণে কাণে গৈ গৈ হঠাৎ এটা পঁজাঘৰৰ আগত থমকি ৰ'ল।

পঁজা ঘৰটোৰ আগত থিয় হৈ কুকুৰটোৱে বহুতোপৰলৈকে ভুকিলে। সি যে এই ঘৰৰে কাৰোবাক মাতিছে, সেই বিষয়ত চন্দ্ৰবৰ্মা নিঃসন্দেহ হ'ল। কিন্তু বহুতো পৰলৈকে ভুকনিৰ পাছতো ঘৰটোৰপৰা কোনো ওলাই নহাত কুকুৰটো ঘৰটোৰ ভিতৰলৈ সোমালগৈ। অলপ পাছত ঘৰটোৰপৰা ওলাই আহি চাৰিওফালে চাবলৈ ধৰিলে। কুকুৰটোৰ এই আচৰণলৈ লক্ষ্য কৰি চন্দ্ৰবৰ্মা সোমালগৈ ঘৰটোৰ ভিতৰলৈ। তাত কোনো নাই। ঘৰৰ এচুকত সৰু খাট এখন পাৰি থোৱা আছে। আন চুকত চৌকা এখন, কেইটামান মাটিৰ পাত্ৰ, কিছুখিনি ফটাকানি। এই ঘৰটোৰ গৃহস্থ নিচেই দুখীয়া বুলি ধাৰণা হ'ল চন্দ্ৰবৰ্মাৰ। চন্দ্ৰবৰ্মাই ভাবিলেঃ এনেহেন দুখীয়া মানুহ এজন এই গভীৰ অৰণ্যত আছেহি কিয়? নিশ্চয় কিবা কাৰণ আছে। হঠাৎ চন্দ্ৰবৰ্মাৰ বুকু চিৰিংকৈ গ'লঃ এই মানুহজনো এজন তান্ত্ৰিক নহয় তো! যদি তান্ত্ৰিকেই হয়, তেনহ'লে ৰান্ধন-বাঢ়নৰ পাত্ৰবিলাকতে তাৰ আভাস পোৱা যাব। এই বুলি ভাবি চন্দ্ৰবৰ্মাই চৰু কেৰাহি কাঁহী-বাটিবোৰ পৰীক্ষা কৰিবলৈ ধৰিলে।

আৰু ঠিক তেতিয়াই তেওঁৰ পিছফালৰপৰা কোনোবাই গৰ্জি উঠি ক'লে, "হুঁছিয়াৰ। এখোজো লৰচৰ নকৰিবা! পিছফালে ঘূৰি নাচাবা। যেনেকৈ আছা, তেনেকৈ থাকি মোৰ প্ৰতিটো প্ৰশ্নৰ জৱাব দিয়া।"

এনে এক ঘটনাৰ বাবে চন্দ্ৰবৰ্মা প্ৰস্তুত নাছিল। মানুহজন যে কোন হ'ব পাৰে—তাৰ উমান ল'ব নোৱাৰি চন্দ্ৰবৰ্মাই নম্ৰভাৱে ক'লে, "তুমি যে কোন, মই ক'ব নোৱাৰোঁ। কিন্তু তুমি যেৱেই নোহোৱা, মই তোমাৰ শত্ৰু নহওঁ।"

"তুমি মোৰ শত্ৰু নহয় বুলি মই কেনেকৈ জানিম? তুমি যে কিয় এই গভীৰ অৰণ্যলৈ সোমাইছাহি সেই কথা জনাত বা বুজাত মই টান পোৱা নাই। বাৰু, তোমাৰ প্ৰহৰীহঁত ক'ত লুকাই আছে সেই কথাটো ক'বানে মৰিবা?" মানুহজনে ক'লে।

"প্ৰহৰী!" চন্দ্ৰবৰ্মাই বিস্মিত কণ্ঠেৰে ক'লে, "মই এই গভীৰ অৰণ্যত অকলেই অনাই-বনাই ফুৰিছোঁ। মোক কিজানি এই কুকুৰটোৰেই খালেহেঁতেন, কিন্তু মোৰ হাতত লোৰ শিকলি এডাল থকাত কুকুৰটোৱে মোক খাব নোৱাৰিলে। আৰু, এই শিকলিডালৰ কাৰণেইনে কি ক'ব নোৱাৰোঁ, কুকুৰটোৱে মোক ইয়ালৈ লৈ আহিল।"

"এই লোৰ শিকলিডালে যে তোমাক ৰক্ষা কৰিছে—সেই কথা ঠিক। মোৰ ল'ৰাটোৱে কুকুৰটোৰ ডিঙিত এই শিকলিডাল পিন্ধাই এই অৰণ্যত ঘূৰি ফুৰিছিল। কিন্তু তাক যেতিয়া ৰাজ-প্ৰহৰীহঁতে ধৰি লৈ গ'ল, তেতিয়া সেই শিকলিডালো ক'ৰবাত পৰি গ'ল। এই শিকলিৰ গোন্ধ শুঙি কুকুৰটোৱে তোমাক তাৰ গৰাকীৰ বন্ধু বুলি ভাবি ইয়ালৈ লৈ আহিল। বাৰু —ঢেৰ আকামৰ কথা ক'লোঁ, মুখেদি ফেন উলিয়ালোঁ—এটা সঁচা কথা কোৱাচোন,

মোৰ ল'ৰাটো এতিয়াও জীয়াই আছেনে ৰজাই তাক মাৰি পেলাইছে ?" মানুহজনে চন্দ্ৰবৰ্মাক সুধিলে ।

যিকথাৰ বিন্দুবিসৰ্গো তেওঁ নাজানে, সেই কথাৰনো কি উত্তৰ দিয়ে তেওঁ ? চন্দ্ৰবৰ্মাই প্ৰমাদ গণিলে। চন্দ্ৰবৰ্মাই তেওঁৰ কঁকালত ওলমি থকা তৰোৱাল-খনলৈ আঙুলিয়াই মানুহজনক ক'লে, চোৱাঁ, মোৰ এই তৰোৱালপাট দেখিয়েইহে কিজানি তুমি মোক ৰজাৰ অনুচৰ বুলি ভাবিছা। কিন্তু মই শপত খাই কৈছোঁ, মই ৰজাৰ অনুচৰ নহওঁ। কোন ৰজাৰ কথা যে তুমি কৈছা, তাকো মই বুজা নাই। এটা কাম কৰঁা, মোৰ এই তৰোৱালখন তুমি লোৱাঁ, তেতিয়া আৰু তোমাৰ মনত কোনো আশংকা নাথাকে।"

মানুহজনে তৎক্ষণাৎ চন্দ্ৰবৰ্মাৰ তৰোৱালখন খাপৰপৰা উলিয়াই ল'লে আৰু ক'লে, "এতিয়া তুমি ঘূৰি থিয় হ'ব পাৰা। পিছে—মোক ভঁৰিবলৈ চেষ্টা দিছা যদি—তোমাক তৎমুহূৰ্ততে যমৰ আলহী কৰিম, মনত ৰাখিবা।"

তেও চন্দ্ৰবৰ্মা অলপ আশ্বস্ত হ'ল। তেওঁ ঘূৰি থিয় হৈ মানুহজনলৈ চালে। ধকধকীয়া বগা চুলি-দাড়িৰে কমেও সত্তৰ বছৰীয়া মানুহজন। মানুহজনৰ দুহাতত দুটা অস্ত্ৰ। যেনিবা, বিপদ



সহায় তেওঁৰ সমুখত!

"মই কোনোবা ৰজাৰ অনুচৰ নহওঁ। মই নিজেই ৰাজ্যহাৰা ৰজা। তোমাৰ ল'ৰাটোক ধৰি লৈ যোৱা ৰজাৰ নাম কি?" চন্দ্ৰবৰ্মাই সুধিলে।

চন্দ্ৰবৰ্মালৈ সন্দেহৰ দৃষ্টি মেলি সেই বৃদ্ধই ক'লে, "তুমি যিখন দেশৰ ৰজা, সেইখন দেশৰ নামো পাহৰিলানে?"

চন্দ্ৰবৰ্মাই যেনেকৈ মূৰ জোকাৰিলে, তাৰে বুঢ়াৰ সন্দেহ আৰু ডাঠহে হ'ল। তেওঁ চন্দ্ৰবৰ্মাৰ ভৰিৰপৰা মূৰলৈকে ভালকৈ চাই লৈ ক'লে, "তোমাৰ কহন-বহন, চলন-ফুৰণ আৰু সাজ-পাৰেই কৈ দিয়ে যে তুমি এই অঞ্চলৰ মানুহ নহয়, নৱাগত। তুমি যদি সচাঁসঁচিকৈয়েই ৰাজ্যহাৰা ৰজা, মই তোমাক সহায় কৰিব পাৰোঁ। তুমি মোৰপৰা সকলো ধৰণৰ সহায় পাই থাকিবা। কিন্তু প্ৰতিদানত তুমিও সহায় কৰিবা বুলি কথা দিবানে?"

"সহায় কৰাৰ মন মোৰ নথকা নহয়।" চন্দ্ৰবৰ্মাই মানুহজনক ক'লে।

"ৰুদ্ৰপুৰৰ ৰজা শিৰসিংহই মোৰ ল'ৰাটোক ধৰি লৈ গ'ল। মই ৰাজ প্ৰহৰীহঁতৰ দৃষ্টিত বালি মাৰি কেনেবাকৈ ইয়াত—এই গভীৰ অৰণ্যত সোমাই আছোঁহি। এইদৰে, ৰজাৰ সদাজাগ্ৰত প্ৰহৰীহঁতৰ চকুত বালি মাৰি কিমান দিন যে এই অৰণ্যত থাকিব পাৰিম —ক'ব নোৱাৰোঁ। ইতিমধ্যে ৰজাই যদি মোৰ ল'ৰাটোক মাৰি পেলাইছে —তেনেহ'লে মোৰ কৰিবলগীয়া একো নাই। কিন্তু সি জীয়াই আছে যদি —কিবা এটা বুজা-পৰা হ'ব পাৰে ৰজাৰ লগত। মই তেওঁক কাঁহৰ কিল্লালৈ যোৱাৰ বাট-পথৰ সন্ধেদ দিব পাৰোঁ।" বৃদ্ধই চন্দ্ৰবৰ্মাক ক'লে।

"কাঁহৰ কিল্লা!" চন্দ্ৰবৰ্মাই দস্তুৰমত বিস্ময় মানি কৈ উঠিল, "কাঁহৰ কিল্লা!



মোৰ ওচৰত সপোনৰ দৰে। সৰুৰে-পৰাই আমি কাঁহৰ কিল্লাৰ কথা শুনি আহিছোঁ। ডাঙৰসকলৰ মুখৰপৰা বহু বহুবাৰ এই কাঁহৰ কিল্লাৰ কথা শুনিছোঁ। এই কিল্লা অৰ্থাৎ দুৰ্গটো হেনো পশ্চিম সমুদ্ৰৰ তীৰত অৱস্থিত। পিছে—তালৈ কেনেকৈ যাব লাগে কোনেও ক'ব নোৱাৰে। সেই সপোন সপোন কাঁহৰ কিল্লালৈ যোৱাৰ বাট-পথ তুমি জানা—এই কথা শুনি মই তৰধেই মানিছোঁ।"

"ঠিক, তৰধ মানিবলগা কথা ঠিকেই। এই বুলি কৈ, তলমূৰ হৈ বুঢ়াই অলপ পৰলৈ কিবা যেন ভাবিলে, আৰু তাৰ পাছত মূৰ দাঙি চন্দ্ৰবৰ্মালৈ অপলক দৃষ্টিৰে চাই থাকি ক'লে, কাঁহৰ কিল্লা ক'ত আছে—সেই কথাটো জনাৰ চেষ্টা কৰি কিমান মানুহ মৰিল জানানে?"

বুঢ়াই পুনৰ ক'লে, "কাঁহৰ কিল্লা সম্পৰ্কে তুমি বহুতো কিবাকিবি জানা বুলিহে মোৰ ধাৰণা হৈছে। কাঁহৰ কিল্লালৈ যোৱাৰ বাট-পথৰ সম্ভেদ মই জানো। আমাৰ উপৰিপুৰুষ এগৰাকীয়ে কেনেবাকৈ এই সম্ভেদ উলিয়াইছিল—এই কথাটো ৰুদ্ৰপুৰৰ ৰজা শিৰসিংহই কেনেবাকৈ জানিব পাৰি তেওঁৰ প্ৰহৰীহঁতক পঠিয়াইছিল মোক বন্দী কৰি নিবলৈ। তেতিয়া ঘৰ এৰি বনলৈ পলাই আহিলোঁ; কিন্তু মোৰ ল'ৰাটো—দেৱল—প্ৰহৰীহতৰ হাতত ধৰা পৰিল। এতিয়া ভাবিছোঁ, কাঁহৰ কিল্লাত থকা অফুৰন্ত মণি-মুকুতাৰ এটা ভাগ যদি ৰজা শিৰসিংহই মোকো দিয়ে—তেনেহ'লে কাঁহৰ কিল্লালৈ যোৱাৰ মানচিত্ৰ মই তেওঁক দিম। এই বিষয়ত তুমি যদি মধ্যস্থতা কৰাঁ, বৰ ভাল হ'ব। পিছে—প্ৰথম চৰ্ত হ'ব—মোৰ ল'ৰাটোৰ মুক্তি। যদি এই কাম সুকলমে সম্পন্ন হয়, তেনেহ'লে কাঁহৰ কিল্লাৰ মণি-মুকুতাৰ এটা ভাগ মই তোমাকো দিম। সেইবোৰ

বেচি যি ধন পাবা—তাৰে তুমি এটা ডাঙৰ সৈন্যবাহিনী গঢ়ি তোমাৰ হেৰোৱা ৰাজ্য উদ্ধাৰ কৰিব পাৰিবা—এই কথাত সন্দেহৰ অৱকাশ নাই।”

এই বৃদ্ধ যে সাধাৰণ মানুহ নহয়, আৰু এই পৰিকল্পনামতে বুঢ়াই যে আগবাঢ়ি যাব—সেই কথাত চন্দ্ৰবৰ্মা নিশ্চিন্ত হ'ল। চন্দ্ৰবৰ্মাই বৃদ্ধক ক'লে, “তোমাৰ প্ৰতিটো চৰ্ত মই মানি ল'ম। পিছে মানি লোৱাৰ আগতে—কাঁহৰ কিল্লালৈ যোৱাৰ মানচিত্ৰখন মই অলপ নিজ চকুৰে চাই ল'ব খোজোঁ। তোমাৰ কিবা আপত্তি আছেনেকি?” চন্দ্ৰবৰ্মাই ক'লে।

চন্দ্ৰবৰ্মাৰ কথাৰ উত্তৰত বৃদ্ধই আনন্দিতভাৱে কিবা ক'বলৈ ধৰোঁতেই দুৱাৰত খটখটনি উঠিল। একেজাপে বৃদ্ধ চন্দ্ৰবৰ্মাৰ কাষলৈ গৈ ফুচফুচাই ক'লে, “ৰজাৰ অনুচৰহঁত আহিল হ'ব পায়। সিহঁতে মোৰ ল'ৰাটোৰ যদিহে অনিষ্ট কৰা নাই, আৰু ৰজাই যদি দেৱলক মুক্তি দিবলৈ মান্তি হয়, তেনেহ'লেহে মই এই বিষয়ত ৰজাৰ সৈতে কথা হ'ম। কাঁহৰ কিল্লাত থকা ধন-ৰত্নৰ এটা বুজন অংশ যাতে মোক দিয়ে—তুমি সেই বিষয়তো ৰজাৰ লগত মোৰ হৈ কথা ক'বা।” চন্দ্ৰবৰ্মাক এই বুলি কৈয়েই বুঢ়া পিছ দুৱাৰেদি ওলাই গভীৰ অৰণ্যলৈ গুচি গ'ল।

হতবাক চন্দ্ৰবৰ্মাই একো টলকিবলৈ নৌপাওঁতেই ৰাজপ্ৰহৰীহঁতে চাৰিওফালৰ-পৰা ঘৰটো আগুৰি ধৰি গৰ্জি উঠিল, “ঘৰৰ ভিতৰত কোন আছা, তুৰন্তে ওলাই আহাঁ। পলাবলৈ চেষ্টা কৰাঁ যদি, পলকতে হত্যা কৰা হ'ব।”

ঘৰৰ দুৱাৰ খুলি ওলাই আহি চন্দ্ৰবৰ্মাই প্ৰহৰীহঁতৰ আগত বুকু ফিন্দাই থিয় দিলে। [অহা সংখ্যাত

চকোৰৰ আউঁসী

প্ৰতিজ্ঞাবদ্ধ বিক্ৰমাদিত্য পুনৰ সেই গছজোপাৰ ওচৰলৈ উভতি গ'ল আৰু গছৰ ডালত ওলমি থকা শ'টো নমাই আনি, কান্ধত কঢ়িয়াই, মৰিশালিলৈ বুলি গৈ থাকিল তেতিয়া শ'ৰ মাজত থকা বেতালে কৈ উঠিল, "হে ৰজা, তোমাক ভাল:পোৱা শ্ৰদ্ধা কৰা কাৰোবাৰ কথাত তুমি ভুল বুজিছিলা মোৰ ধাৰণা হৈছে। কোনোবা এগৰাকী ৰজাৰ সভা-কবি নবীনকিশোৰেও এনেকুৱা ভুল কৰিছিল। শেহান্তৰত সেই ভুলৰ পৰিণতি কি হ'ল—আজি সেই কথা তোমাক ক'ম। এই কথা শুনি শুনি খোজ দি থাকিলে আন একো নহ'লেও তোমাৰ পথশ্ৰম কথঞ্চিত লাঘৱ হ'ব।" এই বুলি কৈ, বেতালে ক'বলৈ ধৰিলে:

কবি নবীনকিশোৰ আছিল বিমলগিৰি

'বেতাল-কথা'



ৰাজসভাৰ সভাকবি। ৰজাই নবীন-কিশোৰক বৰ মৰম কৰিছিল। নবীনৰ কথা নুশুনালৈকে তেওঁৰ দিনটো বিসোৱাদ যেন লাগি গৈছিল।

নবীনকিশোৰৰ কথাৰ বৈশিষ্ট্য আছিল এয়ে যে—তেওঁ যি কথা কৈছিল, শুনাত কবিতা যেন লাগিছিল। ঘৰতো, পুত্ৰ-পৰিবাৰৰ সৈতে কথা কওঁতে কবিতাৰ ছন্দেৰেহে কৈছিল। আনকি বাট-পথত দেখাদেখি হোৱা চিনাকি লোকসকলৰ সৈতেও নবীনকিশোৰে ছন্দ মিলাই লেছেৰি বুটলিহে কথা পাতিছিল। কিছুদিনৰ অন্তত নবীনকিশোৰ এক প্ৰবাদপুৰুষ যেন হৈ উঠিল। কবিতাৰ কথাওলালে মানুহে সদায় এই স্বভাব-কবি নবীনকিশোৰক সুঁৱৰিছিল।

আন কোনোবাই তেনেকৈ মাত বোল কৰাৰ চেষ্টা কৰিলে শুনোতাই কৈছিল, "হেৰা, চেষ্টা কৰিলেই ফেঁচা কেতিয়াও ম'ৰা হ'বনে? ছন্দ মিলাই ক'লেই নবীন হ'ব পাৰিবানে? নোৱাৰা। এই চেষ্টা নিদিয়াই ভাল।"

নবীনকিশোৰৰ ঘৰত কেশৱ নামৰ এজন ঘৰুৱা কাম কৰা মানুহ আছিল। কবিতাৰ প্ৰতি কেশৱৰ আছিল বৰ ৰাপ। ছন্দ মিলাই কেনেকৈ কথা ক'ব লাগে সেই কথাৰ ভু ল'বলৈহে কেশৱে নবীন কবিৰ ঘৰত কামত সোমাইছিল। কেশৱে ইয়াতকৈ বেছি দৰমহাৰে ঢেৰ কাম পালেহেঁতেন; কিন্তু কাব্যৰ প্ৰতি অনুৰাগেই তাক ইয়ালৈ লৈ আহিল। কাম-বন কৰাৰ মাজতেই সময় উলিয়াই সি পঢ়া-লিখাও কৰিছিল।

সময়-সুবিধা পালেই কেশৱে নবীনৰ কবিতা মুখস্থ কৰিবলৈ চেষ্টা কৰিছিল। নবীনকিশোৰৰ কবিতা শুনি সি তাৰ মনত একুৰিবাৰলৈ আওৰাইছিল. আৰু তাৰ পাছত সেই কথাৰ অৰ্থ বুজিবলৈ চেষ্টা কৰিছিল। যি কথাবোৰ বুজি

নাপাইছিল, নবীনকিশোৰক সেইবোৰৰ অৰ্থ সুধিছিল সি। তেওঁৰ কবিতাৰ প্ৰতি কেশৰৰ এই আকৰ্ষণলৈ লক্ষ্য কৰি নবীনকিশোৰৰ মনত কেশৰলৈ মৰম বাঢ়ি গ'ল। তেওঁ কেশৰৰ প্ৰতিটো প্ৰশ্নৰ উত্তৰ বিস্তাৰিতভাবেই দিছিল।

এইদৰে, বহুদিন ধৰি চেষ্টা কৰাৰ অন্তত, নবীনকিশোৰৰ দৰে কেশৰেও ছন্দ মিলাই মাত-বোল কৰিব পৰা হৈ উঠিল। সি তাৰ চিনাকি মানুহখিনিৰ লগত ছন্দেৰে কথা পাতিছিল। বহুতেই তাক তাৰ এই ক্ষমতাক শলাগি কৈছিল, "হীজাৰ হওক নবীনৰ লা-সিগিৰা। নদী যায় যিফ'লে, শিহু-ঘঁৰিয়ালো সেই-ফালেহে যাব।"

এদিন হঠাৎ কবি নবীনকিশোৰ বেমাৰত শয্যাশায়ী হৈ পৰিল। তেওঁ ৰাজসভালৈ যাব নোৱৰা হ'ল। ইপিনে—তেওঁ নোযোৱালৈকে ৰজাই ৰৈ থাকিব। এতেকে, নবীনকিশোৰে কেশৰক ক'লে "কেশৰ, তুমি ৰজাৰ ওচৰলৈ গৈ তেওঁক এই কথাষাৰ ক'বা যে—আজি চকোৰ চৰাইৰ আউসী।"

চকোৰ চৰায়ে যে জোনাক-সুধা পান কৰে, সেই প্ৰবাদ কবিখাকিলৰ মাজত তাহানিৰেপৰা চলি আহিছে। ইয়াত নবীনকিশোৰ হ'ল জোন, আৰু ৰজা হ'ল চকোৰ চৰাই। আউসীত জোন পৰিদৃষ্ট নহয়, গতিকে, ৰজাই নবীনক আজি দেখা নাপাব। এই কথাৰ তাৎপৰ্য্য কেশৰে সুবুজাকৈ নাথাকিল।

কেশৰে ৰজাক ক'লেগৈ, "হে মহান চৰাই চকোৰ! আজি আউসীত দেখাকে নাপাব জোনৰ।"

কেশৰ যে নবীনকিশোৰৰ ঘৰৰপৰা অহা, সেই কথা বুজাত ৰজাৰ কষ্ট নহ'ল। ৰজাই কেশৰক ক'লে, "মই এই কথাত ভাল পাইছোঁ, জোনক ক'বাগৈ কৈছোঁ।"

ৰাজসভাৰপৰা ওলাই যাবলৈ খোজ

লওঁ:তেই ৰজাই কেশৰক ক'লে, "মই কিয় ভাল পাইছোঁ--জানানে বাৰু? আৰু—"

কশৰে ৰজাৰ মুখত ধৰি কৈ উঠিল, "ন জানিম কিয়! আপুনি বৰ স্বাৰ্থপৰ, সেয়ে ভাল পাইছে বৰ।"

এই কথা শুনি ৰজা খঙতে ৰঙা পৰিল। তেওঁ কেশৰক ক'লে, "তুমি নবীনকিশোৰৰ ঘৰৰ লিগিৰা, সেয়েহে, মোৰ কথাৰ তাৎপৰ্য্য অনুধাৰন কৰিব পাৰিবা বুলি ভাবিছিলোঁ। কিন্তু তুমি নোৱাৰিলা। পিছে--মোক তুমি কিয় স্বাৰ্থপৰ বুলি ক'লা? মোৰ এই প্ৰশ্নৰ উত্তৰ সঠিককৈ নিদিয়া যদি—তোমাক মই কাৰাগাৰত ভৰাই থ'ম।"

কেশৰে সবিনয়ে ক'লে, "মহাৰাজ, ৰজাসকলে আউসীক গুৰুত্ব নিদিয়ে, আৰু আউসীৰ কালত পূৰ্ণিমালৈ বাট চাই থাকে বুলি মোৰ ধাৰণা আছিল। কেৱল শুক্লপক্ষৰ প্ৰতীক্ষাত থকা বুলি ভাবিহে স্বাৰ্থপৰ বুলি কৈছিলোঁ।"

কেশৰৰ কথা শুনি ৰজাই ভাল পাই ক'লে "তুমি নবীনকিশোৰৰ ঘৰৰ যোগ্য লিগিৰা, তোমাৰ বুদ্ধিমত্তাপূৰ্ন কথা শুনি বৰ ভাল পালোঁ।" ৰজাই কেশৰক উপহাৰ প্ৰদান কৰি ক'লে, "আউসীত প্ৰদীপৰ প্ৰয়োজন। তুমি আউসীত সদায় আহি থাকিবা।"

ঘৰ পাই কেশৰে উৎসাহেৰে সৈতে তাৰ গৰাকী নবীনকিশোৰক সকলো কথা ক'লে। তাৰ কথা শুনি নবীনকিশোৰে বেয়া পালে। তেওঁ ক্ৰুদ্ধ হৈ কেশৰক ক'লে "মোৰ ঘৰত কাম-বন কৰি তুমি নিজক বৰ ডাঙৰ পণ্ডিত বুলি ভাবিছা। তুমি এই মুহূৰ্ত্ততে মোৰ ঘৰ এৰি গুচি যোৱা। ইয়াত তোমাৰ ঠাই নহ'ব আৰু।"

ৰজাই ইমানদিন ধৰি কেৱল নবীন-কিশোৰকহে প্ৰশংসা কৰিছিল আৰু উপহাৰ দিছিল। হঠাৎ, প্ৰথম দিনাই কেশৰক প্ৰশংসা কৰাত আৰু উপহাৰ

দিয়াত কেশৰৰ প্ৰতি নবীনকবি ক্ৰুদ্ধ তথা ঈৰ্ষান্বিত হৈ উঠিল।

কেশৰে হঠাৎ নবীনকিশোৰৰ ভৰিত ধৰি ক'লে, "লাগিলে মই আজিৰপৰা কাৰো লগত মাত-বোল নকৰোঁ। তথাপি আপুনি মোক আপোনাৰ ওচৰতে থাকিবলৈ দিয়ক।"

কেশৰৰ কাবৌ-কাকুতি শুনি নবীন-কিশোৰে কোমল কাটি ক'লে, "মোৰপৰা অনুমতি নোলোৱাকৈ তুমি কাৰো লগত কথাৰ ফুলজাৰি নামাৰিবা। মাৰিলে— তৎক্ষণাৎ কুকুৰ খেদাদি খেদিম। মোৰ এই কথাটো মনত থাকিবনে তোমাৰ?"

পাছদিনাও নবীনৰ বেমাৰ ভাল নহ'ল। অন এজন মানুহক নবীনে ৰজাৰ ওচৰলৈ পঠালে। ৰজাই এই মানুহজনৰ ওচৰত কেশৰৰ কথা সুধিলে। সেই কথাটোও মানুহজনে নবীনকিশোৰক ক'লেহি। তাৰ ফলত নবীনৰ খং আৰু চৰিলহে কেশৰৰ প্ৰতি, ঈৰ্ষাও বাঢ়িল।

একেৰাহে পাঁচদিনলৈ অসুস্থতাৰ অন্তত ছদিনৰ দিনা নবীনকিশোৰ গ'ল ৰাজসভালৈ। ৰজাই নবীনকিশোৰৰ স্বাস্থ্যৰ কথা মুসুধি সুধিলে, "কেশৰ নহা হ'ল কিয়? সি কেনি গ'লনো?"

নবীনকিশোৰে ক'লে, "প্ৰকৃত চন্দন বৃক্ষ সমুখত থাকোঁতেও চন্দনৰ সুবাস সনাজনক মহাৰাজে যে কিয় বিচাৰি ফুৰিছে—সেই কথা কোৱা টান।" নবীনে খহটা মাতেৰে ক'লে।

নবীনকিশোৰৰ কথা আছিল তেনেই সহজবোধ্য। ৰজাই নবীনক ক'লে, "চন্দনৰ সুবাস সনাজনে কিন্তু চন্দনবৃক্ষৰহে সুনাম বৃদ্ধি কৰে। আপুনি এনে অসুস্থ অৱস্থাত ৰাজসভালৈ নাহি সুস্থ হৈ অহাহেঁতেন ভাল পালোহেঁতেন।"

নবীনকিশোৰে ৰজাৰ এই কথাৰ উত্তৰত একো নকৈ তৎক্ষণাৎ ঘৰলৈ উভতি গৈ কেশৰক ক'লে, "তোমাৰ

মাজত যে ইমান প্ৰতিভা লুকাই আছিল, মই তাৰ উমান ল'ব পৰানাছিলোঁ। তোমাক মই মোৰ নিচিনা কবি ৰূপে গঢ়ি তুলিবলৈ আজিৰেপৰাই যত্ন ল'ম। মোৰ বেয়া ব্যৱহাৰৰ বাবে মই অনুতপ্ত আৰু তোমাৰ ওচৰত ক্ষমাপ্ৰাৰ্থী।"

এই কাহিনী কোৱাৰ অন্তত বেতালে ৰজা বিক্ৰমাদিত্যক ক'লে, "হে ৰজা, নবীনকিশোৰ এগৰাকী মহাকবি হৈয়ো তেওঁৰ চাকৰৰ ওচৰত ক্ষমাপ্ৰাৰ্থনা কৰাটো নিশ্চয় অতি অপমানজনক কথা। কেশৰৰ ৰজাই প্ৰশংসা কৰাত তেওঁৰ কেশৰক প্ৰতি ঈৰ্ষা হৈছিল, সেই বিষয়ত একো সন্দেহ নাই। কিন্তু বিষয়টো কেশৰ আৰু নবীনকিশোৰৰ মাজতে দেখোন সীমাবদ্ধ আছিল তেনেস্থলত নবীন কবিয়ে এই ভাওনাখন পাতিছি কিয়? মোৰ প্ৰশ্নৰ উত্তৰ জনা সত্বেও সঠিককৈ নিদিয়া যদি—তোমাৰ মূৰ ফাটি চাৰিফাল হ'ব—এই কথা ধ্ৰুৱ।"

বেতালৰ এই প্ৰশ্নৰ উত্তৰত ৰজা বিক্ৰমাদিত্যই ক'লে, "নবীনকিশোৰৰ কেশৰৰ প্ৰতি ঈৰ্ষা কেৱল নবীন আৰু কেশৰৰ মাজতে সীমাবদ্ধ নাছিল। আন এজন মানুহৰপৰা—যিজনক নবীনে তেওঁৰ অসুস্থতাৰ দ্বিতীয় দিনা ৰজাৰ ওচৰলৈ পঠিয়াইছিল—ৰজাই এই ঈৰ্ষাৰ কথা উমানতে অলপ গম পাই গৈছিল। তাৰ পাছত, চন্দনবৃক্ষৰ কথা কওঁতে ঈৰ্ষাৰ কথাটো স্পষ্ট হৈ পৰিছিল। কেশৰে যে ৰজাৰপৰা প্ৰশংসা লাভ কৰিছিল, সেই প্ৰশংসা যে দৰাচলতে নবীনকিশোৰৰ প্ৰশংসা, চন্দনবৃক্ষৰ তুলনাৰে যেনেদি সেই কথা স্বীকৃত হোৱাত নবীনকিশোৰে কেশৰৰ ওচৰত ক্ষমা প্ৰাৰ্থনা কৰিছিল।"

ৰজা বিক্ৰমাদিত্যই এই কথা কোৱাৰ লগে লগে বেতালে শটো লৈ পুনৰ সেই গছজোপাৰ ওচৰলৈ উভতি গ'ল। [কল্পিত



নুশুনাৰ গুণ

গন্ধৰ্ব চন্দ্ৰমুখ ভূলোকলৈ আহি বিভিন্ন অৰণ্যত ঘূৰি ফুৰিবলৈ ধৰিলে। চন্দ্ৰমুখে অনাই-বনাই ফুৰোঁতে তেওঁৰ ভৰিত লাগি এগৰাকী ঋষিৰ কমণ্ডলু পৰি গ'ল আৰু লগে লগে ঋষিৰ তপস্যা ভংগ হ'ল। ঋষিৰ উগ্ৰ খং উঠিল আৰু তেওঁ চন্দ্ৰমুখক চকু পকাই ক'লে, "গন্ধৰ্ব, মই তোমাক অভিশাপ দিছোঁ—তুমি ব্ৰহ্মদৈত্য হৈ এই নৈমিষাৰণ্যত ঘূৰি ফুৰিবা!"

চন্দ্ৰমুখে হাতযোৰ কৰি ঋষিক ক'লে, "মোক দয়া কৰক, ক্ষমা কৰক।"

চন্দ্ৰমুখৰ কাকুতি শুনি ক্ৰুদ্ধ ঋষিয়ে অলপ কোমল কাটি ক'লে, "ঠিক আছে, অৰণ্যত মানুহ সোমোৱাৰ লগে লগেই তুমি গৰ্জি উঠিবা, আৰু তোমাৰ গৰ্জন শুনাৰ লগে লগে সিহঁত মৰিব, আৰু তেতিয়া তুমি সিহঁতক খাব পাৰিবা। তোমাৰ গৰ্জন শুনি যিজনে ভয় নাখাব, কেৱল সেই মানুহজনেহে তোমাক শাপমুক্ত কৰিব পাৰিব।"

এদিন গধূলিপৰতে চন্দ্ৰমুখ যেতিয়া ভোকত আতুৰ হৈ পৰিল, ঠিক তেতিয়াই এজন মানুহ সেই ফালেদি গৈ থকাত ব্ৰহ্মদৈত্যৰূপী চন্দ্ৰমুখে গৰ্জি উঠিল আৰু মানুহজন মৰিল। এই মৰা মানুহজনক খাই চন্দ্ৰমুখে ভোক গুচালে।

গছজোপাত ব্ৰহ্মদৈত্য থকাৰ কথা জনাজনি হৈ পৰিল। সেই গছজোপাৰ কাষকে নচপা হ'ল কোনো মানুহ, আৰু তাৰ ফলত ব্ৰহ্মদৈত্য চন্দ্ৰমুখে ভোকত জলা-কলা দেখিলে। উপায়ন্তৰ হৈ চন্দ্ৰমুখ আন এজোপা গছলৈ গ'লগৈ।

ৰুচি গগৈ

কিন্তু তাতো সি মানুহৰ মঙহ নোপোৱা হ'ল। এই গছজোপাতো যে ব্ৰহ্মদৈত্য আছে সেই কথা প্ৰচাৰিত হৈ পৰিল। তাৰ ফলত কোনো মানুহ এই গছজোপাৰ ওচেৰেদি অহা-যোৱা নকৰা হ'ল। তাৰ পাছত এদিন সি এজন মানুহক আহি থকা দেখা পালে।

আৰু মানুহজনক দেখা পোৱামাত্ৰেই ব্ৰহ্মদৈত্য গৰ্জি উঠিল। কিন্তু কাণ্ড আচৰিতেই, মানুহজনে ব্ৰহ্মদৈত্যৰ গৰ্জনলৈ তোচ নকৰা হ'ল। যেনেকৈ খোজ দি আছিল, দিয়েই থাকিল।

ঋষিৰ অভিশাপ অনুসাৰে, আগৰ ৰূপ ঘূৰাই পাই চন্দ্ৰমুখে সকৃতজ্ঞ চিতেৰে এই নিৰ্ভীক মানুহজনক নমস্কাৰ কৰি-যিকোন বৰ প্ৰাৰ্থনা কৰিবলৈ ক'লে।

মানুহজনে চন্দ্ৰমুখৰ মুখলৈ অবাক দৃষ্টি মেলি ভেবা লাগি চাই থকাৰ পাছত চন্দ্ৰমুখক ক'লে, "চোৱা, মই কাণেৰে ভালকৈ নুশুনো, মই কলা।" কাষচাপি কোৱাতহে অলপ অলপকৈ শুনিব পাৰিছোঁ।"

মানুহজনৰ কথা শুনি চন্দ্ৰমুখে বুজি পালে যে মানুহজন মুঠেই নিৰ্ভীক নহয়, তেওঁৰ বিকট গৰ্জনৰ বিন্দু-বিসৰ্গো মানুহজনৰ কাণত নোসোমোৱাতহে এওঁ বীৰ হ'ল। নহ'লে এওঁ নিশ্চয় পিছ হোঁহকা মাৰিলেহেঁতেন। যি কি নহওক, গন্ধৰ্ব চন্দ্ৰমুখে মানুহজনৰ উপকাৰ কৰিব বুলি ভাবি তেওঁৰ শ্ৰৱণশক্তি ঘূৰাই দিলে। আৰু তেতিয়া নিজৰ কাহিনী মানুহজনক ক'লে।

সকলো কথা শুনাৰ অন্তত মানুহজনে চন্দ্ৰমুখক প্ৰণাম কৰি ক'লে, "আপোনাৰ দুৰ্ভাগ্যইহে মোৰ জীৱনত এই সৌভাগ্যক কঢ়িয়াই অনা হ'ল।"

এই কথা শুনি গন্ধৰ্ব চন্দ্ৰমুখ ৰংমনে গন্ধৰ্বলোকলৈ উভতি গ'ল।



আমাৰ দ'ল-দেৱালয়

মীনাক্ষী মন্দিৰ

এসময়ত ভূলোকলৈ আহি এক সুৰম্য বনভূমিত বহি ইন্দ্ৰ পৰমেশ্বৰৰ ধ্যানত বহিল। তেওঁ যিঠাইত বহিছিল, সেই ঠাই পৰম পৱিত্ৰ হৈ উঠিল। ধ্যানৰ অন্তত ইন্দ্ৰ তাৰপৰা গুচি গ'ল।

কিছু দিনৰ পাছত, চিকাৰলৈ ওলাই এগাৰাকী ৰজা সেই ঠাইটুকুৰালৈ আহিল। হঠাৎ তেওঁৰ মন চিকাৰ-বিমুখী হৈ পৰিল, তেওঁৰ মন হৈ উঠিল অহিংসা আৰু ভক্তিৰে ভৰপূৰ। আনকি তেওঁ তেওঁৰ ৰাজধানী এই ঠাইত নতুনকৈ পাতিব বুলি ভাবিলে।





সেই নিশাতে ৰজাই সপোনত দেখিলে যে শিৱৰ কাৰণে কিন কিনকৈ বৰষুণ দি আছে। পাছদিনা তেওঁ তেওঁৰ ৰাজধানী ইয়াতে নতুনকৈ পাতি এই ঠাইডোখৰক 'মথুৰাপুৰ' বুলি নতুনকৈ নামকৰণ কৰিলে।

কিছুদিনৰ অন্তত ৰজাই এটি কন্যাসন্তান লাভ কৰিলে। এইজনীৰ চকুযুৰি মাছৰ চকুৰ দৰে ধুনীয়া হোৱাত আৰু ছোৱালীজনী সমগ্রিকভাৱে অতি ধুনীয়া হোৱাত তাইৰ নাম হ'ল মীনাক্ষী। এই ছোৱালীজনী আছিল এগৰাকী ৰজাৰ একমাত্র সন্তান।

অতি কম দিনতে ৰাজকুঁৱৰী মীনাক্ষীয়ে সমস্ত ৰকমৰ বিদ্যা আর্জিলে। মীনাক্ষী বিবাহযোগ্যা হ'ল ; কিন্তু হঠাৎ ৰজাৰ মৃত্যু হোৱাত মীনাক্ষীয়েই দেশৰ শাসন-ভাৰ ল'বলগীয়া হ'ল। আৰু তেওঁ অতি দক্ষতাৰে দেশ-শাসন কৰি থাকিল।



ৰাজ্যশাসনত মীনাক্ষীৰ দক্ষতা দেখি অতি ঈৰ্ষান্বিত হৈ চুবুৰীয়া ৰাজ্যৰ ৰজা কেইজনমানে চক্রান্ত কৰি অতর্কিতে মথুৰাপুৰ আক্রমণ কৰিলে।

দেশৰ শাসনৰ দায়িত্ব গ্ৰহণ কৰাৰ পাছত এয়ে আছিল মীনাক্ষীৰ প্ৰথম প্ৰবল বিপদ। মীনাক্ষীয়ে প্ৰতিপক্ষক বিজুলীগতিৰে প্ৰতি আক্ৰমণ কৰি একেবাৰে পৰ্য্যুদস্ত কৰি পেলালে আৰু শত্ৰুৰ অতি বেয়াকৈ পৰাজয় ঘটিল।



শত্ৰুপক্ষক বিতাড়িত কৰোঁতে মীনাক্ষী বহুদূৰলৈ গ'ল। হঠাৎ তেওঁৰ অশ্বৰ আগত এগৰাকী অচিনাকি লোকক দেখা পাই মীনাক্ষীয়ে অশ্বৰ লেকামত টানি তাত থমকি ৰৈ দিলে।

মীনাক্ষীয়ে যিগৰাকীক দেখা পাইছিল, তেওঁ মানুহ নাছিল, আছিল স্বয়ং শিৱ। শিৱক দেখিয়েই মীনাক্ষীৰ মনত পৰিল যে তেৱোঁ মানুহ নহয়, আচলতে পাৰ্বতীহে। তাৰ পাছত শিৱৰ সৈতে মীনাক্ষীৰ বিবাহ হ'ল।

মীনাক্ষী যে পাৰ্বতীৰ নতুন অৱতাৰ, সেই কথা অনুধাৱন কৰি, প্ৰজাবৰ্গই মীনাক্ষীক পূজিবলৈ ধৰিলে মীনাক্ষীৰ মৃত্যু হোৱাৰ অন্তত প্ৰজাবৰ্গই মীনক্ষীৰ মূৰ্তি স্থাপন কৰিলে আৰু সেই মূৰ্তিৰ কাষতে সুন্দৰেশ্বৰৰ এক পৰম পৱিত্ৰ মূৰ্তিও স্থাপিত হ'ল।

পৰৱৰ্তীকালত দক্ষিণ ভাৰতৰ মথুৰাৰ নাম হ'লগৈ মাদুৰা। অতি ওখ মীনাক্ষী মন্দিৰত এহেজাৰ স্তম্ভ আছে। মন্দিৰৰ গাতো অসংখ্য মূৰ্তি খোদিত।



কেৱল আমাৰ দেশতে নহয়, সমগ্ৰ বিশ্বত মীনাক্ষী-মন্দিৰৰ স্থাপত্য আৰু ভাস্কৰ্য্য অদ্বিতীয়। সমগ্ৰ ভাৰতৰ পুণ্যকামীসকলে প্ৰতি বছৰ এই মন্দিৰ দৰ্শন কৰিবলৈ আহে। ভক্ত নৰ-নাৰীসকলৰ মনত এই পৱিত্ৰ মীনাক্ষীমন্দিৰৰ আবেদন চিৰন্তন।



পৰিৱৰ্তন

অনন্তপুৰ গাঁৱৰ গোবিন্দ আৰু অজন্তা আছিল এহাল দম্পতি। গোবিন্দক সকলোটিয়ে ভাল পাইছিল; কিন্তু অজন্তাক অতি বেয়া পাইছিল। কিয়নো অজন্তা আছিল দন্দুৰী আৰু গোঁৱাৰবিধৰ।

সিহঁতহালৰ ছোৱালী এজনী ডাঙৰ হ'ল; কিন্তু তাইৰ কাৰণে সিহঁতে দৰা বিচাৰি নোপোৱা হ'ল। সিহঁতহাল চিন্তাত পৰিল। এজনীকে বিয়া দিব পৰা নাই, আন কেইজনী ডাঙৰ হ'লে কি হ'ব! অজন্তা যে মুখচোকা সেই কথা তাই নিজেও মানিছিল, আৰু গাঁৱত গোবিন্দৰ সুনামৰ কথাও জানিছিল। এদিন তাই ভাবিলেঃ ময়ো গাঁৱত সুনাম আৰ্জিম। তেতিয়া আমাৰ ছোৱালীৰ বিয়াৰ বাবে একো অসুবিধা নহ'ব।

এই কথা ভাবি, এদিন অজন্তাই তাইৰ গিৰিয়েকক ক'লে, "গাঁৱৰ মানুহে তোমাৰ নাম লয়, ভাল পায়, সুখ্যাতি কৰে। ময়ো তোমাৰ দৰে চলিম বুলি ভাবিছোঁ। মই এতিয়াৰপৰা লোকৰ লগত ভাল ব্যৱহাৰ কৰিম, মিঠা মাতেৰে আদৰিম। কি কৰিলে মোক মানুহে তোমাক ভাল পোৱাৰ দৰে ভাল পাব কোৱাচোন বাৰু মোক?"

গোবিন্দই তাইৰ কথাবোৰ ভূতৰ মুখে ৰামনাম শুনাদি শুনিলে। তেওঁ আগতেও তাইক শুধৰাবলৈ চেষ্টা নকৰাকৈ নাছিল; কৰিছিল। কিন্তু তাই একেবাৰে আঁকোৰগোজ। তাইৰ মতেই মত, তাইৰ পথেই পথ। আন মত-পথ একো নাই।

ইমান দিনৰ অন্তত অজন্তাৰ এই

অনিমা মহন্ত

পৰিৱৰ্তনলৈ লক্ষ্য কৰি গোবিন্দই ক'লে, "কোনজমা গোসাঁই বা গোসাঁনীৰ বুদ্ধিত যে তোমাৰ এই পৰিবৰ্তন—মই বুজা নাই। পিছে—এটা কথা মনত ৰাখিবা, সকলোটিৰে সৈতে মিলাপ্ৰীতিৰে থাকিব পাৰিলেই সকলোতে প্ৰশংসা পাবা।"

গিৰিয়েকৰ জ্ঞান-বুদ্ধিৰ ওপৰত অজন্তাৰ আস্থা আছিল। তাই গোবিন্দৰ কথা আখৰে আখৰে পালন কৰিব বুলি স্থিৰ কৰিলে। তায়ো গোবিন্দৰ দৰে লাহে ধীৰে মাত-বোল কৰা হ'ল, কাম-বন কৰা মানুহৰ লগত মিঠা ব্যৱহাৰ কৰা হ'ল, চিঞৰ-বাখৰ একদম নকৰা হ'ল।

কিছুদিন এনেকৈ চলিল। তাৰ পাছত তাই ভাবিলে: মোৰ এই পৰিৱৰ্তনৰ কথা মানুহে বুজি পোৱা হৈছেনে? অলপ পৰীক্ষা কৰি চোৱা যাওক।—এই কথা ভাবি, তাৰ চুবুৰীয়াইতক বিভিন্ন কামত সহায় কৰিবলৈ ধৰিলে আৰু তেওঁলোকৰ মন্তব্য শুনাৰ বাবে কাণ থিয় কৰি থাকিল।

প্ৰতিবেশিনী কামিনীহঁতৰ ঘৰৰ বাৰাণ্ডাত প্ৰতিদিন দুপৰীয়াৰ পাছত চুবুৰীৰ মহিলাইঁত গোট খাই গল্প কৰিছিল। আৰু--কোৱা বাহুল্য, তাত পৰচৰ্চাও চলিছিল পূৰাদমে। এদিন অজন্তা আঁৰত থিয় হ'লগৈ তেওঁলোকৰ কথা কাণ জগাই শুনিবলৈ।

সিদিনা এজনী বোৱাৰীয়ে ক'লে "অজন্তাজনীৰ বিৰাট পৰিৱৰ্তন হ'ল, তাই যে ইমান ভাল হৈ যাব—ভাবিই পৰা নাছিলোঁ। কেইদিনমানৰ আগতে মোৰ হাতত জুইহেন তপত ভাতৰ নিসনি পৰিল। অজন্তাই লৰি আহি কেৱল দৰব লগোৱাই নহয়—মোৰ ৰন্ধা-বঢ়াখিনিও কৰি দিলে তাই—।"

আন এগৰাকী মহিলাই ক'লে, "ময়ো এটা পৰিৱৰ্তন লক্ষ্য কৰিছোঁ তাইৰ মাজত। আমাৰ ল'ৰা-ছোৱালীকেইটাই



তাইৰ ঘৰৰ আগত খেলি থাকে, হৈ-হুলস্থূল কৰে। আগতে তাই লাঠি দাঙি খেদি আহিছিল সিহঁতক। কিন্তু কালি—তাই সিহঁতক একো নক'লে! কথা আচৰিতৰো আচৰিত।"

আনকেইজনীমানেও এনেবোৰ কথা ক'লে। আৰু তাৰ পাছত এগৰাকী বুঢ়ীয়ে ধীৰে-শাঁতে কৈ থাকিল, "দেখি-শুনি—অজন্তাজনীৰ এই পৰিৱৰ্তনক আঁৰত কিবা অভিসন্ধি থকা যেন পাইছোঁ। তাইৰ ডাঙৰ ছোৱালীজনীৰ বিয়া নোহোৱাত তাই কেদিনমানলৈ ভালৰ ভাও জুৰি ভালৰি বোলোৱা হৈছে। তদুপৰি—খেতি-বাতিও ভাল নহ'ল এইবেলি। সময় বেয়া হ'লে বেয়া মানুহো কুমলি ভাল হয়েই।"

বুঢ়ীৰ কথা শুনি অজন্তাই বেয়া পালে। যি কি নহওক, এইখিনি শুনাৰ পাছত তাই নিজৰ ঘৰৰ কামকৰা মানুহজনীয়ে কি কয় তাকো শুনিবলৈ মেকুৰী খোজেৰে গৈ ঘৰৰ দেৱালত ভেজা দি কাণ পাতি থিয় হৈ থাকিল।

কামকৰা মানুহজনীৰ নাম গংগা। তাইৰ গিৰিয়েক মহেশক গংগাই কৈ আছিল, "আইদেউৰ ইমান পৰিৱৰ্তন কিয় যে হ'ল—ক'বকে নোৱাৰোঁ। আগতে ইটো-সিটো কিবা এটা ভাঙি পেলালে কি যে চিঞৰ-বাখৰ হৈ-হুলস্থূলখন লগাইছিল। কালি মোক একোৱেই নক'লে তেওঁ!"

মহেশে মিচিকীয়াই হাঁহি মাৰি ক'লে, "ধাৰাসাৰ বৰষুণ নমোৱা মেঘবোৰ দেখাত বেছ ভালেই। মোৰ ধাৰণা—এতিয়াই ভালে ভালে আঁতৰ হোৱাটো ভাল হ'ব। এই ভালৰো ভাল ভালৰি এদিন ভালুকী নাচ যে নহ'বগৈ—তাৰ মানে নাই। এতিয়াৰেপৰাই আন ঠাইত কাম বিচাৰি লোৱা ভাল হ'ব।"

অজন্তাই ভাবিলে: মানুহে মোক

কিয় সহজভাৱে ল'ব পৰা নাই? মোৰ প্ৰতি লোকৰ ইমান সন্দেহ—কিয় বাৰু? কি কাৰণে কথাটো তাই তাইৰ গিৰিয়েক গোবিন্দক ক'লে।

সকলো কথা শুনাৰ অন্তত গোবিন্দই তাইক ক'লে, "তোমাৰ সুনাম আপোনী-আপুনিয়েই হ'ব। তোমাৰ সুনাম কিমানখিনি হ'ল সেই কথাৰ জোখ-মাখ লোৱাৰ আৱশ্যকতা নেদেখোঁ। যিকোনো কাৰ্যৰ সুফল লগে লগে আশা নকৰাই ভাল। বহুতো কাৰ্য্যৰ ফল বহু দেৰিকৈ পোৱা যায়। কামটো কৰিলেই ফল পাবলৈ ছটফটাই থকাত কি লাভ? এনেবোৰ চেষ্টা কৰি থাকিলে কেতিয়াবা হিতে বিপৰীত হ'বগৈ পাৰে।"

গোবিন্দৰ কথা শুনি অজন্তাই নিজৰ বুদ্ধিভ্ৰমিৰ বাবে নিজক নিজেই ধিকাৰ দিলে, আৰু লাজ পালে। তাৰ পাছত তাই সদায় আনক সহায় কৰাত দেহে-কেহে লাগিল আৰু কোনে কি কৈছে—তালৈ ঘূৰিও নোচোৱা-নুশুনা হ'ল।

এইদৰে বহুদিন পাৰ হোৱাত—এতিয়া পৰৰ উপকাৰ কৰাই অজন্তাৰ মাজত দেমাৰৰ দৰে হৈ পৰিল। তেতিয়া মানুহে তাইৰ এই স্বভাৱকে স্বাভাৱিক বুলি মানি ল'লে, এইবিলাক কাম লোকক দেখুৱা স্বাৰ্থমূলক কাম বুলি নোকোৱা হ'ল আৰু তাইৰ চাৰিত্ৰিক পৰিৱৰ্তনৰ সম্পৰ্কে ওচৰ চুবুৰীয়াসকল নিঃসন্দেহ হ'ল।

তাৰ পাছত, এদিন গাঁৱৰ ঘৰে ঘৰে গোবিন্দ আৰু অজন্তাৰ প্ৰশংসা শুনা গ'ল। ৰাইজে এইহাল দম্পতিক গাঁৱৰ আদৰ্শ দম্পতি হিচাপে মানি ল'লে। গোবিন্দ আৰু অজন্তাৰ সুনামৰ ফলত সিহঁতৰ ডাঙৰ ছোৱালীজনীক বোৱাৰী হিচাপে নিজ নিজ ঘৰত আদৰি ল'বলৈ বহুতেই সিহঁতৰ কাষ চপা হ'ল।



শিৱ-পুৰাণ

১১

নাৰদমুনিয়ে অসুৰ জলন্ধৰক ক'লেহি, "জলন্ধৰ, শিৱ আৰু বিষ্ণু যে মানস সৰোবৰত লুকাই আছে—তুমি জানানে?"

নাৰদৰ কথা শুনি জলন্ধৰে মানস সৰোবৰত নামি শিৱ আৰু বিষ্ণুক তন্ন তন্নকৈ বিচাৰিবলৈ ধৰিলে। জলন্ধৰ মানস সৰোবৰত নমাৰ লগে লগেই শিৱ আৰু বিষ্ণু সৰোবৰৰপৰা উঠি আহিল। তেওঁলোকে জলন্ধৰ পানীৰপৰা উঠি অহালৈ বাট চাই ৰৈ থাকিল। তেতিয়া শিৱৰ হাতত আছিল বিষ্ণুচক্ৰ আৰু বিষ্ণুৰ হাতত আছিল শিৱৰ ত্ৰিশূল।

মানস সৰোবৰত ক'তো বিষ্ণু আৰু শিৱক বিচাৰি নাপাই জলন্ধৰ সৰোবৰৰ তীৰলৈ উঠি আহিল। লগে লগে জলন্ধৰে শিৱ আৰু বিষ্ণুক তাত দেখা পালে, আৰু তেওঁলোকৰ বিৰুদ্ধে ৰণ দিবলৈ জঁপিয়াই পৰিল। শিৱ আৰু বিষ্ণুৱে জলন্ধৰক আক্ৰমণ কৰি বধ কৰিলে। জলন্ধৰৰ মৃত্যু-সম্বাদ পাই তিনিও লোকতে আনন্দৰ জোৱাৰ বৈ গ'ল।

কশ্যপ প্ৰজাপতিৰ সন্তানসকলৰ মাজত বিপ্ৰজিত্য আছিল ভয়ংকৰ দানৱ। বিপ্ৰজিত্যৰ দম্ভ নামৰ এজন পুত্ৰ আছিল। দম্ভ আছিল বিষ্ণুভক্ত। সন্তানহীন দম্ভই পুত্ৰসন্তান লাভৰ বাবে বদৰিকাশ্ৰমলৈ গৈ বিষ্ণুৰ তপস্যা কৰিবলৈ ধৰিলে।

কঠোৰ তপস্যাত মুগ্ধ হৈ বিষ্ণুৱে

'ত্ৰিলোকাধিপতি শংখচূড়'

দম্ভক বৰ খুজি ল'বলৈ ক'লে।

"হে মহাবিষ্ণু, মোক তোমাৰ সমতুল শৌৰ্য্যৱান আৰু পৰাক্ৰমী পুত্ৰসন্তান এটি লাগে। এই পুত্ৰসন্তানে তিনিও লোক জয় কৰিব পৰা হ'ব লাগিব, অপৰাজেয় হ'ব লাগিব।" দম্ভৰ প্ৰাৰ্থিত এই বৰদান কৰি বিষ্ণু উভতি গ'ল।

কিছুকালৰ অন্তত দম্ভই এটি পুত্ৰসন্তান লাভ কৰিলে। মাকে পুতেকৰ নামকৰণ কৰিলে—শংখচূড়।

অলপ ডাঙৰ হোৱাৰ পাছত শংখচূড় গ'ল শুক্ৰাচাৰ্য্যৰ ওচৰলৈ, শাস্ত্ৰ আৰু অন্যান্য বিদ্যা অধ্যয়ন কৰিবলৈ। অধ্যয়ন-পৰ্ব সমাপ্ত হোৱাৰ অন্তত পিতৃ-মাতৃৰ অনুমতি লৈ ব্ৰহ্মাৰ উদ্দেশ্যে কঠোৰ তপস্যা কৰিবলৈ শংখচূড় বিন্ধ্যপৰ্বতলৈ গ'ল। আহাৰ-নিদ্ৰা পৰিত্যাগ কৰি, এখন ভৰিৰ ওপৰত থিয় হৈ, ব্ৰহ্মাৰ দৰ্শনলাভৰ বাবে শংখচূড়ে কঠোৰ তপস্যা কৰি থাকিল। তাৰ পাছত এদিন ব্ৰহ্মাই শংখচূড়ক ক'লেহি, "বোপা, তোমাৰ তপস্যাত মই মুগ্ধ। তোমাক কি বৰ লাগে কোৱাঁ।"

"দেৱতা, ৰাক্ষস, নাগ আৰু মানৱকো হেলাৰঙে পৰাজিত কৰিব পৰা বৰ মোক লাগে। লাগে তিনিও লোকৰ শাসক হ'ব পৰা ক্ষমতা। লাগে মোক সকলো-বিধৰ সুখ ভোগ। মই শাসক, আৰু ভোগী হ'বলৈ বিচাৰোঁ।" শংখচূড়ে ক'লে।

ব্ৰহ্মাই এইবৰ দান কৰি শংখচূড়ক ক'লে, "বোপা, তুমি বদৰিকাশ্ৰমলৈ যোৱাঁ। তাত তুলসী নামৰ এজনী ছোৱালীয়ে তপস্যা কৰি থকা দেখা পাবা। তুমি তাইক বিবাহ কৰাবা—এয়ে মোৰ ইচ্ছা।" এই বুলি কৈ ব্ৰহ্মা অদৃশ্য হ'ল।

ব্ৰহ্মাৰ নিৰ্দেশ অনুসাৰে শংখচূড় বদৰিকাশ্ৰমলৈ গ'ল আৰু তাত তুলসীক দেখা পাই—প্ৰথম দেখাতে মুগ্ধ হৈ পৰিল। শংখচূড়ে তুলসীক ক'লে, "হে সুন্দৰী, তুমি কোন? ক'ৰপৰা আহিছা?

কাৰ উদ্দেশ্যে তপস্যা কৰি আছা ?"

শংখচূড়ক দেখি অপাৰ বিস্ময় অনুভৱ কৰি তুলসীয়ে ক'লে, "মই ৰজা ধৰ্মধ্বজৰ কন্যা। মোৰ নাম তুলসী। মোৰ স্বামী যাতে মহাবীৰ হয়, তেওঁৰ কীৰ্তি যাতে তিনিও লোকতে অক্ষয় হৈ থাকে, তাৰ কাৰণে মই তপস্যা কৰি আছোঁ। পিছে আপুনিনো কোন জানিব পাৰোঁনে ?"

"মোৰ নাম শংখচূড়, মই দানৱৰাজ দম্ভৰ পুত্ৰ। মই কঠোৰ তপস্যা কৰি ব্ৰহ্মাৰপৰা তিনিও লোকৰ অধিপতি হোৱাৰ বৰ লাভ কৰিছোঁ। ব্ৰহ্মাই তোমাক বিবাহ কৰাবলৈ কৈছে মোক। তেওঁৰ নিৰ্দেশ অনুসাৰে আমি দুয়ো বিবাহ বন্ধনত আবদ্ধ হওঁ যদি—আমি নিশ্চয় সুখী হ'ম।" শংখচূড়ে তুলসীকে ক'লে।

তাৰ পাছত দুয়ো বিবাহ বন্ধনত আবদ্ধ হ'ল। কিছুদিন পাহাৰ-পৰ্বতত বিহাৰ কৰাৰ অন্তত তুলসীক লৈ শংখচূড় নিজ গৃহলৈ গ'ল, সমস্ত ঘটনা পিতৃ-মাতৃক ক'লে। তেওঁলোকে শংখচূড়ৰ এই কাৰ্য্যত বেয়া নাপালে। তাৰ পাছত শুক্ৰাচাৰ্য্যৰ অনুমতিক্ৰমে দম্ভপুত্ৰ শংখচূড়ৰ ৰাজ্যাভিষেক সম্পাদিত হ'ল।

শুক্ৰাচাৰ্য্যৰ উপদেশ অনুসাৰে শংখচূড়ে সুকলমে দেশশাসন কৰি থাকিল। বহু দিনৰ অন্তত এদিন শুক্ৰাচাৰ্য্যক লগত লৈ বহু সংখ্যক দানৱে ৰজা শংখচূড়ক ক'লেহি, "মহাৰাজ, ব্ৰহ্মাই আপোনাক বহুতো বৰ দিলে। আমাৰ উপৰিপুৰুষসকলক ইন্দ্ৰপ্ৰমুখ দেৱতাই অতীতত বহু ধৰণে অত্যাচাৰ কৰিছিল। এতিয়া, আপুনি তাৰ প্ৰতিশোধ লওক।"

দানৱহঁতৰ কথাত শংখচূড়ে হৰিভৰ দিলে আৰু এদিন স্বৰ্গ আক্ৰমণ কৰিবলৈ ৰাওণা কৰিলে।

একেৰাহে চল্লিছ দিন ধৰে দেৱতা আৰু দানৱহঁতৰ মাজত ছেদভেদ নোহোৱা যুদ্ধ চলি থাকিল। দেৱতাসকল বিজয়ী



হোৱাৰ সম্ভাৱনা শেষ হৈ আহিল। দানৱহঁতে অটল বিশ্বাসৰে প্ৰচণ্ডভাৱে যুদ্ধ চলাই আছিল। এসময়ত দেৱতাসকল পলাবলৈ ধৰিলে। ইন্দ্ৰই পৰিষ্কাৰভাৱে বুজি পালে যে দেৱতাসকল বিজয়ী হোৱাৰ সম্ভাৱনা নাই। ব্ৰহ্মাই এই শংখচূড়ক যি বৰ দিছিল, তেতিয়াহে ইন্দ্ৰৰ মনত পৰিল। এনে অৱস্থাত দেৱতাসকলক যুদ্ধক্ষেত্ৰ এৰি গুচি যাবলৈ নিৰ্দেশ দিয়াৰ বাহিৰে ইন্দ্ৰৰ গত্যন্তৰ নাছিল। তাৰ পাছত ইন্দ্ৰই শংখচূড়ৰ কাষ চাপিল আৰু ক'লে, "শংখ তুমি মহৰ্ষি কশ্যপৰ পৰিয়ালভুক্ত। তোমাৰ শৌৰ্য্য বীৰ্য্যৰ পৰিচয় পাই মই মোহিত হৈছোঁ। এতিয়াৰপৰা তুমি ত্ৰিলোক শাসন কৰি থাকাঁ, মই, আমি, তোমাক পাৰ্য্যমানে সহায় কৰিম।"

ইন্দ্ৰৰ কথাৰ উত্তৰত শংখচূড়ে ক'লে, "হে দেৱেন্দ্ৰ, এতিয়াৰপৰা মোৰ প্ৰতিনিধি স্বৰূপে তুমি স্বৰ্গৰাজ্য চোৱা-চিতা কৰি থাকাঁ।" তাৰ পাছত, শংখচূড়ে নিজক ত্ৰিলোকাধিপতি বুলি ঘোষণা কৰি নিজ ৰাজধানী শোণিতপুৰলৈ উভতি গ'ল আৰু তাৰেপৰাই তিনিও লোকৰ শাসন-কাৰ্য্য পৰিচালনা কৰিবলৈ ধৰিলে।

স্বৰ্গৰাজ্য চোৱা-মেলাৰ দায়িত্ব ইন্দ্ৰক দিয়া হৈছিল হয়, কিন্তু তাত যাগযজ্ঞ অনুষ্ঠিত হ'লে সেইবিলাকক ধ্বংস কৰাৰ দায়িত্ব আছিল দানৱসকলৰ ওপৰত। যাগযজ্ঞত ঘাইকৈ মুনি-ঋষিসকলেই অধিককৈ জড়িত আছিল। আৰু— ঋষিগণৰ ওপৰত দানৱহঁতৰ অত্যাচাৰ বেছিকৈ হৈছিল।

এবাৰ ঋষিগণে আৰু সহিব নোৱাৰি বিষ্ণুক ক'লেগৈ, "আমি শংখচূড়ৰ অতপালি-অত্যাচাৰ আৰু সহ্য কৰিব নোৱাৰিছোঁ। যিকোনো উপায়ে শংখচূড়ক বধ কৰি আমাক দানৱহঁতৰ কবলৰপৰা ৰক্ষা কৰক।" তেওঁলোকে

প্ৰাৰ্থনাৰ ভংগীৰে বিষ্ণুক খাটিলে।

তেওঁলোকৰ কথাৰ উত্তৰত বিষ্ণুৱে ক'লে, শংখচূড় হ'ল মোৰ অংশজাত, আৰু তুলসী হ'ল লক্ষ্মীৰ। এনে অৱস্থাত—মোৰ পক্ষে শংখচূড়ক বধ কৰা সম্ভৱ নহয়। তোমালোকে এই বিষয়ে সহায় বিচাৰি শিৱৰ ওচৰলৈ যোৱা।"

তাৰ পাছত কৈলাসলৈ গৈ ঋষিগণে কাতৰ কণ্ঠেৰে শিৱক ক'লে, "হে শিৱ! আমি শংখচূড়ৰ অত্যাচাৰ আৰু সহিব নোৱৰা হৈছোঁ। তাৰ আদেশ মতে দানৱইঁতে আমাৰ যজ্ঞ ধ্বংস কৰিছে। আপুনি যদি শংখচূড়ক বধ নকৰে, আমাৰ পক্ষে জীয়াই থকা টান।"

শিৱই তেওঁলোকক আশ্বস্ত কৰি ওভোতাই পঠালে। এই কথা শুনি নাৰদে শংখচূড়ক ক'লে, "শিৱই দেৱতাসকলক তোমাক বধ কৰাৰ আশ্বাস দিয়া বুলি শুনিলোঁ। তেওঁ যে ৰুদ্ৰগণৰ বাহিনীৰে সৈতে কেতিয়া তোমাক আক্ৰমণ কৰিবহি, তাৰ কি ঠিক। মই কওঁ—তুমি আগতীয়াকৈ কৈলাসলৈ গৈ শিৱক আক্ৰমণ কৰিব পাৰা যদি—তেনেহ'লে তোমাৰ জয় সুনিশ্চিত।"

শংখচূড়ে নাৰদমুনিৰ কথা শুনি প্ৰচণ্ড পৰাক্ৰমৰে সৈতে শিৱক তৎক্ষণাৎ আক্ৰমণ কৰিলগৈ।

শংখচূড় ইমান দুঃসাহসী হৈ উঠিব বুলি শিৱে ভাবিবই পৰা নাছিল। তেওঁহে শংখচূড়ক আক্ৰমণ কৰিবগৈ বুলি ভাবিছিল। কিন্তু আক্ৰমণ কৰাৰ আগতেই আক্ৰান্ত হোৱাত শিৱই তৎক্ষণাৎ শংখচূড়ৰ বিৰুদ্ধে যুদ্ধ কৰিবলৈ নন্দীৰ যোগেদি ভদ্ৰকালী, বীৰভদ্ৰগণ আৰু কুমাৰগণ মতাই পাঠিয়ালে। তাৰ পাছত, শংখচূড়ৰ নেতৃত্বত এফালে দানৱ আৰু আনকালে দেৱতাৰ মাজত থৈয়া-নথৈয়া ৰণ লাগি পৰিল।

পুনৰ্মিলন

এগৰাকী ছুলতানৰ দহগৰাকী ৰজীৰ আছিল। এই ৰজীৰহঁতৰ দৃষ্টি সদায় ছুলতানৰ ধনভঁৰালত পৰিছিলগৈ. কিয়নো ছুলতানৰ ধনতহে আছিল সিহঁতৰ মন। নিজৰ স্বাৰ্থসিদ্ধিৰ বাবে ৰজীৰহঁতে প্ৰজা-পীড়ন কৰিছিল। এই পীড়ন তথা মাৰণ-কাটনে ইমানদূৰ পাইছিলগৈ যে, প্ৰজাগণে ৰজীৰ আৰু ছুলতানৰ ওপৰত জুইহেন ক্ৰুদ্ধ হৈ উঠিছিল। ফলত প্ৰজাই ছুলতানক মজা দেখুৱাবলৈ সাজু হ'ল।

এই ছেগতে চুবুৰীয়া ৰাজ্যৰ ছুলতানে এই ছুলতানৰ ৰাজ্য আক্ৰমণ কৰিলে। আৰু ছুলতানৰ ৰজীৰহঁতে ছুলতানৰ বিৰুদ্ধে চক্ৰান্ত কৰি শত্ৰুৰ লগত হাত মিলাই হাত মেলি নাচিবলৈ ধৰিলে।

চাৰিওফালৰপৰা প্ৰাসাদ বেঢ়ি ধৰাৰ পাছতহে ছুলতানে শত্ৰুৰ আক্ৰমণ গম পোৱা হ'ল। নিৰুপায় ছুলতানে পুত্ৰ-পৰিবাৰ লৈ ঘোঁৰাৰ পিঠিত উঠি পলাল। পুত্ৰৰ বয়স তেতিয়া মাত্ৰ দুবছৰ।

এদিন এনিশা একেৰাহে গৈ থকাৰ অন্তত এটা পাহাৰৰ ওচৰত ছুলতান ৰ'ল। তেওঁলোকে নিজৰাৰ পানী পি-খাই তাত জিৰণি ল'বলৈ ধৰিলে।

এনেতে হঠাৎ একলগে ভালেমান ঘোঁৰা আহি থকাৰ শব্দ উঠিল। ভীত-পৰিশ্ৰান্ত ছুলতানে তেওঁৰ দুবছৰীয়া শিশুপুত্ৰক এৰি থৈ পত্নীক ঘোঁৰাত উঠাই মুহূৰ্ততে নোহোৱা হৈ পৰিল। শিশুটিয়ে কান্দি উঠিব আৰু শত্ৰুৱে তেওঁলোকৰ কথা গম পাই যাব বুলি ভাবি তেওঁ শিশুপুত্ৰটিক লৈ যোৱা নাছিল।

‘আৰবদেশৰ দাস্তাঁ (সাধু)’

চাওঁতে চাওঁতে অশ্বাৰোহীহঁত তালৈ আহিল। আহি — সেই নিমাওমাও অঞ্চলত এটি ফুলকোমল শিশুক পৰি থকা দেখি ডকাইত-চৰ্দাৰে শিশুটিক কোলাত তুলি লৈ গুচি গ'ল।

ডকাইতৰ দলটো গুচি যোৱাৰ অন্তত ছুলতানে শিশুপুত্ৰটিক বিচাৰি তালৈ আহিল। কিন্তু পুত্ৰটিৰ চিনামাত্ৰো তাত নথকাত ছুলতান মৰ্মাহত হৈ পৰিল।

ছুলতানৰ পত্নীয়ে হুৰাওৰাৱে কান্দিবলৈ ধৰিলে। ছুলতানে পত্নীক ক'লে, "আমি যে কিমান দিন এইদৰে কটাম, ক'ব নোৱাৰোঁ। এনে অৱস্থাত পুত্ৰটিকো হেৰুৱালোঁ। এতিয়া আৰু কন্দাকটা কৰি একো লাভ নাই। আল্লাহ্-তাল্লাহৰ ওচৰত প্ৰাৰ্থনা কৰাঁ, সি সুখতে থাকে যেন। আৰুনো কি কৰিবলগীয়া আছে? যাৰ ক্ষমতা নাই, তাৰ একোৱেই নাই।"

এই ঘটনাৰ কিছু দিনৰ পাছত ছুলতান গ'ল তেওঁৰ এগৰাকী দোস্তৰ ঘৰলৈ। দোস্তগৰাকীও এগৰাকী ছুলতান আছিল। তেওঁ এই দোস্তৰ সহায়ত এক বিৰাট সৈন্যবাহিনী গঠন কৰি নিজ ৰাজ্য শত্ৰুৰ কবলৰপৰা উদ্ধাৰ কৰিবলৈ ৰাওনা হ'ল।

এইবাৰ ছুলতানে নিজৰাজ্য উদ্ধাৰ কৰিবলৈ সমৰ্থ হ'ল। সিংহাসন উদ্ধাৰ কৰাৰ পাছত ছুলতানে তেওঁৰ হেৰোৱা পুত্ৰটিক বিচাৰি উলিয়াবলৈ চেষ্টা কৰি থাকিল। কিন্তু তেওঁ ব্যৰ্থ হ'ল।

এবাৰ মৰুভূমি পাৰ হৈ যাওঁতে কিছুমান বেপাৰীৰ লগত এদল ডকাইতৰ সংঘৰ্ষ লাগি পৰিল। উভয়পক্ষৰ মাজত প্ৰচণ্ড যুদ্ধৰ অন্তত বহু ডকাইত আৰু বেপাৰীও মৰিল। বেপাৰীহঁতে কেইটা-মান ডকাইত বন্দী কৰি ছুলতানৰ হাতত সমৰ্পণ কৰিলে।

বেপাৰীহঁতৰ সাহসৰ পৰিচয় পাই ছুলতানে তেওঁলোকক সোণৰ মোহৰ উপহাৰ আগবঢাই বন্দী ডকাইতকেইটাক

মৃত্যুদণ্ড দিলে।

ডকাইতকেইটাক বধ্যভূমিলৈ লৈ যাওঁতে হঠাৎ ছুলতানৰ দৃষ্টি পৰিলগৈ এটা সুদৰ্শন যুৱক ডকাইতৰ ওপৰত। তাৰ দেহসৌন্দৰ্য্য আৰু মুখশ্ৰী দেখি মুগ্ধ ছুলতানে তাক মতাই অনাই সুধিলে, "তোমাৰ নাম কি?"

"মোৰ নাম আজাৰউদ্দীন। মই চৰ্দাৰৰ পুত্ৰ।" ডকাইত যুৱকে ক'লে।

"মোৰ অধীনত কাম কৰিবা?" ছুলতানে সুধিলে।

"নিশ্চয় কৰিম। ডকাইতি কৰাত মোৰ কোনো দিনেই মন নাছিল, এতিয়াও নাই।" আজাৰউদ্দীনে ক'লে।

ছুলতানৰ অধীনত কাম কৰি আজাৰউদ্দীনে ছুলতানক তুষ্ট কৰিব পাৰিলে। কিছুদিনৰ অন্তত আজাৰউদ্দীনক ছুলতানৰ ধনভঁৰাল তথা কোষাগাৰৰ কোষাধ্যক্ষৰ পদত নিযুক্ত কৰা হ'ল।

ইমান কম দিনতে আজাৰউদ্দীনৰ ইমান উন্নতি হোৱা দেখি বুঢ়া ৰজীৰহঁতৰ কলিজাত লাগিল জুই। ঈৰ্ষাৰ জুই। ইমান কাল ধৰি ছুলতানৰ কোষাগাৰেই আছিল এওঁলোকৰ শোষণাগাৰ। ইচ্ছামতে কোষাগাৰৰ ধন মুগুজা ধাৰলৈ লৈছিল এওঁলোকে। আৰু এতিয়া? আজাৰউদ্দীনৰ অনুমতি বিনে আনকি কোষাগাৰৰ দুৱাৰখন ছোৱাবো মুদা মৰিল। সেয়েহে, বিজ্ঞ বৃদ্ধ ৰজীৰহঁত পৰামৰ্শত বহিল। আৰু এটি চক্ৰান্তৰ চকাও ঘূৰিল।

ৰজীৰহঁতে আজাৰউদ্দীনক দাওয়াত দিলে (নিমন্ত্ৰণ কৰিলে) খোৱা-বোৱা শেষ হোৱাৰ অন্তত তেওঁলোকে আজাৰউদ্দীনক ছেৰাপ খাবলৈ দিলে।

আৰু অত্যাধিক ছেৰাপ খাই আজাৰউদ্দীন বেহুঁছ (অচেতন) হৈ পৰিল। তেতিয়া ৰজীৰহঁতে আজাৰক দাঙি নি ছুলতানৰ শয্যাত শোৱাই থ'লে।

মাজনিশা ছুলতান তেওঁৰ শোৱা-

কোঠালৈ আহিল। তেওঁৰ বিছনাত কোনোবা এটাক শুই থকা দেখি ছুলতানে গৰ্জি উঠি ক'লে, "কোন আছ! মোৰ বিছনাত এইটো কি চাচোনহি!"

প্ৰহৰীহঁতৰ মাজত এটাই ছুলতানক ক'লে, "ছাহানছাহ! বেয়াদবি মাফ কৰিব, কোনোবা এটা মদপী শুই আছে তাত। সি একদম বেহাল-বেহুঁছ।"

ৰজীৰহঁতে এইবোৰ কথা-কাণ্ড আঁৰৰপৰা চাই আছিল। তেওঁলোকে এক দুই তিনি চাৰিকৈ হাতত সাৰে ভৰিত সাৰে আহি ছুলতানক ক'লে, "জাহাঁপনা, আপোনাৰ শয্যাত আন কোনোবা শুব—ই কল্পনাতো ঢুকি নোপোৱা কথা, সহ্যৰ বাহিৰ। এয়া দস্তুৰমতে ছুলতানৰ অপমান। এই অপমানৰ সমুচিত দণ্ড দিয়ক, ছাহানছাহ!"

ৰজীৰহঁতৰ কথাত উত্তেজিত হৈ ছুলতানে ক'লে, "এই জানোৱাৰটোক মাৰি পেলোৱা।"

ৰজীৰহঁতে শিয়ালৰ হোৱাৰ দৰে কৈ উঠিল, "এয়ে হুজুৰৰ ন্যায় বিচাৰ।"

ছুলতানৰ প্ৰহৰীহঁতে অচেতন আজাৰ-উদ্দীনক দাঙি লৈ ওলাই গ'ল।

সিয়ান ৰজীৰহঁতে গিয়ানীৰ দৰে ক'লে, "অতি বাঢ়নে বাঢ়িলে তললৈ লুটি খাই পৰিবই লাগিব। কোষাগাৰৰ ভাৰ পাই মাটিত বপুৰাৰ ভৰি নপৰা হৈছিল। আৰু এতিয়া—? চা, জিন্দগীৰ মজা চাকি চা!"

বিছনাৰপৰা দণ্ডাৰ পাছত ছুলতানে আজাৰউদ্দীনক চিনি পোৱা হ'ল। কিন্তু তিনমানতে দণ্ডাদেশ তেওঁ দিলেই। গতিকে আৰু একো উপায় নাথাকিল আজাৰক ৰক্ষা কৰাৰ।

পাছদিনা আজাৰউদ্দীনক বধ্যভূমিলৈ লৈ যোৱা হ'ল। হঠাৎ তাত ভিৰ ফালি ফালি এজন বুঢ়া মানুহ আগুৱাই আহিল আৰু তাত উপস্থিত থকা ছুলতানৰ ভৰিত

ধৰি ক'লে, "মহামান্য ছুলতান ছাহানছাহ ! আপুনি মোক মাৰি পেলাওক ; কিন্তু মোৰ পুত্ৰক ৰেহাই দিয়ক। আল্লাৰ দোৱাত (আশীৰ্বাদত) মই ইয়াক পাই তুলি-তালি ডাঙৰ-দীঘল কৰিছিলোঁ।"

"প্ৰতিটি সন্তানেই আল্লাৰ দান।" প্ৰধান ৱজীৰে ক'লে।

"ঠিক। কিন্তু ইয়াক মই এক পাহাৰৰ কাষত বুটলি পাইছিলোঁ। সি মোৰ নিজৰ নহয়, বোটলা ধন।" বৃদ্ধই কাতৰ কণ্ঠেৰে ক'লে।

হতবাক ছুলতানে কেনেবাকৈ সুধিলে বৃদ্ধক, "কোন পাহাৰৰ কাষত, কেতিয়া বুটলি পাইছিলা তাক ?"

ডকাইতৰ এই চৰ্দাৰে আজাৰউদ্দীন নামৰ এই ল'ৰাটোক বিছ বছৰৰ আগতে য'ত বুটলি পাইছিল, ঠিক তাতেই ছুলতানে তেওঁৰ শিশুপুত্ৰটিক এৰি থৈ গৈছিল। আজাৰউদ্দীন যে তেওঁৰ পুত্ৰ— ছুলতানে সন্দেহাতীতভাৱে সেই কথাটো বুজি পালে।

তাৰ পাছত ছুলতানে একে একে সকলো কথাৰ সম্ভেদ পালে। তেওঁ বুঢ়া বদমাছ ৱজীৰহঁতৰ চক্ৰান্তৰ কথা জানিব পাৰিলে আৰু ৱজীৰহঁতক ওখ পাহাৰৰ টিঙৰপৰা বগৰাই পেলাই মাৰিবলৈ আদেশ দিলে।

ছুলতানৰ আদেশ শুনি আজাৰউদ্দীনে ছুলতানক ক'লে, "আব্বা, এওঁলোকে চক্ৰান্ত নকৰাহেঁতেন মোৰ প্ৰকৃত চিনাকি কিন্তু তুমি কেতিয়াও নাপালাহেঁতেন। মই যে তোমাৰ সেই হেৰোৱা পুত্ৰ— কেনেকৈনো জানিলেহেঁতেন ? এতেকে— এওঁলোকক মৃত্যুদণ্ডৰ সলনি আন কিবা দণ্ড দিয়া।"

ছুলতানে আজাৰউদ্দীনৰ কথা মানি লৈ, সেই বৃদ্ধ ৱজীৰহঁতক যাৱজ্জীৱন কাৰাদণ্ডেৰে দণ্ডিত কৰিলে।

তেমিয়-ৰহস্য

(যোৱা সংখ্যাৰ পাছৰপৰা)

জ্যোতিষীসকলক মতাই অনাই ৰজাই তেওঁলোকক ক'লে, "মোৰ পুত্ৰৰ মাজত কেতবোৰ শুভলক্ষণ থকা বুলি আপোনালোকে কৈছিল। কৈছিল-যে তাৰ বিপদ হ'ব পৰা একো নাই তাৰ মাজত। কিন্তু এতিয়া দেখিছোঁ—সি কাণেৰে নুশুনে, মাত-বোল নকৰে, বোধশক্তিহীন। আপনালোকৰ কথা মিছা বুলি প্ৰমাণিত হ'ল। এতিয়া এই বিষয়ত আপোনালোকৰ বক্তব্য কি?"

"মহাৰাজ, আপোনালোকে ব্ৰত পালন কৰি বহু কালৰ অন্তত এটি পুত্ৰসন্তান লাভ কৰিছিল। ইমান কষ্টেৰে পোৱা পুত্ৰটিৰ ভাগ্যৰেখা দেখি আমি দস্তুৰমত বিচলিত বোধ কৰিছিলোঁ। কিন্তু তেতিয়া সেই কথাটো কোৱাহেঁতেন আপুনি, বা আপোনালোকে বৰ দুখ-যাতনা পোৱা হ'লহেঁতেন। সেই কাৰণেহে আমি তেনেকৈ মিছা কথা কৈছিলোঁ।" জ্যোতিষীসকলে ক'লে।

"তেনেহ'লে—এতিয়া কি হ'ব?" ৰজাই প্ৰশ্ন কৰিলে।

"মহাৰাজ, আপোনাৰ মূক-বধিৰ পুত্ৰ জীয়াই থাকে যদি—আপোনালোকৰ তথা দেশৰ পক্ষেও বিপদ অনিবাৰ্য্য: এতেকে—অশুভলক্ষণবিশিষ্ট ৰথৰ সৈতে অশুভ লক্ষণযুক্ত অশ্ব সাজুৰি, সেই ৰথৰ ওপৰত এই পুত্ৰটিক বহুৱাই পশ্চিমদিশৰ দুৱাৰেদি ৰথখন উলিয়াই শ্মশানলৈ নি তাক মাটিৰ তলত পুতি থ'ব পাৰে।" জ্যোতিষীসকলে ৰজাক স্পষ্টকৈ ক'লে।

'জাতক-কথা'

বিৰাট বিপদৰপৰা ৰক্ষা পৰিবলৈ আৰু দেশবাসীক ৰক্ষা কৰিবলৈ ৰজাই জ্যোতিষীসকলৰ পৰামৰ্শমতে কাম কৰিবলৈ সাজু হ'ল। এই কথা শুনি পাটৰাণী চন্দ্ৰাদেৱীয়ে ৰজাক ক'লে, "মহাৰাজ অতীতত আপুনি মোক এটি বৰ দিব বুলি কৈছিল। এতিয়া মোক সেই বৰটো লাগে।"



ৰজা চন্দ্ৰাদেৱীৰ কথাত সন্মত হ'ল। লগে লগে চন্দ্ৰাদেৱীয়ে ক'লে, "মোৰ পুত্ৰক সিংহাসনত অধিষ্ঠিত কৰা হওক।"

"এয়া সম্ভৱ নহ'ব, ৰাণী। তোমাৰ পুত্ৰৰ মাজত বহুতো অশুভ লা-লক্ষণে দেখা দিছে।" ৰজাই ক'লে।

"ঠিক আছে, তাক কমেও সাত বছৰৰ কাৰণে ৰজা পাতক।" ৰাণীয়ে ক'লে। এই প্ৰস্তাৱত ৰজা সন্মত হ'ল।

চন্দ্ৰাদেৱীয়ে তৎক্ষণাৎ তেমিয়ক ভাল পোছাক-পাতিৰে সজাই-পৰাই দিলে। ৰাজধানী সুসজ্জিত কৰা হ'ল। ৰাজকোঁৱৰ তেমিয়ক ৰজা পতা হ'ব বুলি সমগ্ৰ ৰাজ্যত ঘোষণা কৰা হ'ল।

চন্দ্ৰাদেৱীয়ে পুত্ৰৰ ওচৰত বহি তাক বুজনি দিবলৈ ধৰিলে, "বোপা, তোমাৰ কাৰণে যোৱা যোল বছৰ ধৰি মই কি কৰা নাই কোৰাচোন। কান্দি কান্দি মোৰ চকুৰ পানীও নোহোৱা হ'ল। তুমি যে বোবা নহয়, কলা নহয়—মই জানো। তোমাৰ নহ'লেও, মোৰ শান্তিৰ কাৰণে, তুমি অলপ খোজ কাঢ়ি ফুৰাচোন চাওঁ।" কিন্তু তথাপি, মাকৰ কথা তেমিয়ৰ কাণত সোমোৱাৰ কোনো লক্ষণ দেখা নগ'ল।

কিছুদিনৰ পাছত ৰজাই সাৰথি সুনন্দক ক'লে, "কালিলৈ কুলক্ষণীয়া ৰথ আৰু অতি কুলক্ষণযুক্ত ঘোঁৰা প্ৰস্তুত ৰাখিবা। মই কোৱামাত্ৰেই তুমি তেমিয়ক ৰথত উঠাই পশ্চিম দুৱাৰেদি ওলাই শ্মশানলৈ লৈ যাবা, আৰু তাত ডাঙৰ গাঁত খান্দি তাক পুতি থৈ স্নান কৰি



নোৱাৰিলে। তেমিয়ই একোকে নক'লে।

পাছদিনা সাৰথি সুনন্দই চন্দ্ৰাদেৱীক ক'লেগৈ, "মা, আপুনি সকলো কথা জানে। ৰজাৰ আদেশ পালন নকৰি মোৰ উপায় নাই।" সাৰথিৰ কথা শুনি তেমিয়ক সাবটি ধৰি মাক চন্দ্ৰাদেৱীয়ে পুনৰ কান্দিবলৈ ধৰিলে।

আৰু তাৰ পাছত তেমিয়ক ৰথত উঠাই সাৰথি সুনন্দই ৰথ চলাই দিলে। ৰথখন পশ্চিম দুৱাৰেদি যোৱা বুলি সুনন্দই ভাবিছিল; কিন্তু গ'ল পূব-দুৱাৰেদিহে। হঠাৎ সি এখন শ্মশান দেখা পোৱা যেন লাগিল। সুনন্দই গাঁত এটা খান্দি, তেমিয়ৰ দেহৰপৰা সমস্ত আ-অলংকাৰ সোলোকাই লৈ এটা টোপোলাত বান্ধিলে।

এই গাঁত খান্দি থাকোঁতে তেমিয়ই মনত ভাবি আছিল ঃ ইমানদিনৰ সাধনাৰ ফল পালোঁ। —এই বুলি ভাবি, তেমিয় ৰথৰপৰা নামি আহিল, আৰু তেতিয়ালৈকো গাঁত খান্দি থকা সাৰথি সুনন্দক ক'লেগৈ, "হেৰা সুনন্দ, কিহৰ বাবে গাঁত খান্দিছানো?"

সুনন্দই ওপৰলৈ নোচোৱাকৈয়েই ক'লে, "আমাৰ বিকলাংগ, বোবা, কলা ৰাজকোঁৱৰক পুতি থ'ব লাগিব বুলি

উভতি আহিবা।"

ধলপুৱাতে চন্দ্ৰাদেৱীয়ে তেমিয়ক বুকুত আঁকোৱালি লৈ কান্দি কান্দি কৈ থাকিল, "বোপা তেমিয়, তোমাৰ মৃত্যুদণ্ডৰ আদেশ দিলে ৰজাই। কালিলৈ আগবেলাৰেপৰাই তোমাক মই আৰু দেখা নাপাম।" এই বুলি কৈ কৈ ৰাণীয়ে চিৎকাৰ কৰি কান্দি থাকিল।

এই কথা শুনি তেমিয়ৰূপী বোধিসত্ত্বৰ মনত আনন্দই নধৰা হ'ল। তেওঁ ভাবিলে ঃ মোৰ যোল বছৰৰ সাধনা এইবাৰ ফলৱতী হ'ব। —তেমিয়ৰ মন মাকৰ কান্দোনে অলপো তিয়াব

এই গাঁত খান্দিছোঁ।"

"ভালকৈ চোৱাচোন — মই বিকলাংগনে? আৰু বোবা-কলা হোৱাহেঁতেন কেনেকৈনো তোমাক এইবোৰ কথা ক'লোহেঁতেন? তথাপি যদি মোক গাঁতৰ ভিতৰত পুতি থোৱা—তোমাক কিন্তু ভয়ানক পাপে স্পৰ্শ কৰিব।" তেমিয়ৰূপী বোধিসত্বই ক'লে।

সাৰথি সুনন্দই ৰাজকোঁৱৰক তাত দেখি অবাক হৈ সুধিলে. "তুমিনো কোন? কোন তুমি!"

তেমিয় তথা বোধিসত্বই সঁচা কথাকে ক'লে। কিন্তু সাৰথি সুনন্দই সেই সঁচা কথাবোৰ বিশ্বাস কৰিব নোৱাৰিলে। সি ৰথৰ ওচৰলৈ গৈ তেমিয়ক বিচাৰিবলৈ ধৰিলে। তাৰ পাছত, তেমিয়ৰ ভৰিৰ ওচৰত বহি বহি সুনন্দই তেমিয় ক'লে, "ব'লক, প্ৰাসাদলৈ উভতি যাওঁ ব'লক।"

কিন্তু তেমিয় সন্মত নহ'ল। তেতিয়া সাৰথিয়ে পুনৰ ক'লে, "আপুনি উভতি গ'লে ৰজা-প্ৰজা সকলোৱে আনন্দ লাভ কৰিব। ব'লক যাওঁ।"

"কোনে আনন্দ লাভ কৰিব, বা নকৰিব, সেই কথাত মই মূৰ ঘমোৱা নাই। আজি মোৰ পুনৰ্জন্ম হ'ল। মই এক সম্পূৰ্ণ মানুহৰূপে জীয়াই থাকিবলৈ বিচাৰোঁ।" বোধিসত্বই ক'লে।

তেনেহ'লে ইমান কাল ধৰি আপুনি বোবা-কলা হৈ আছিল কিয়! এই ভাও জোৰাৰ কিবা আৱশ্যকতা আছিলনে?" সাৰথি সুনন্দই সুধিলে।

"শুনা, একালত ময়ো ৰজা আছিলোঁ। সেই ৰাজত্বৰ পাপৰ ফলত বহু কাল ধৰি নৰকবাস কৰিবলগীয়া হৈছিলোঁ। এই জনমত সিংহাসনৰ কবলৰপৰা ৰক্ষা পৰিবলৈহে মই তেনেকৈ অভিনয় কৰি আছিলোঁ। জীৱনৰ সত্যক উপলব্ধি কৰিব নোৱৰা মানুহহে মোহ-মুগ্ধ হয় পাপৰ হাত-বাউল দেখি, অজ্ঞানতাৰ

অন্ধকাৰত খেপিয়াই ফুৰে।" তেমিয়ৰূপী বোধিসত্বই ক'লে।

এই কথা শুনি সাৰথিয়ে ক'লে, মহাৰাজ, মোকো আপোনাৰ লগে লগে যাবলৈ অনুমতি প্ৰদান কৰক।"

"ওহোঁ, নহ'ব।" বোধিসত্বই ক'লে। এই ৰথখন ৰজাৰ। তেওঁক তেওঁৰ ৰথখন ওভোতাই দিয়াঁ। তোমাৰ ব্যক্তিগত ঋণ পৰিশোধ কৰাঁ। ব্যক্তিগত সম্পত্তি পৰিত্যাগ কৰাঁ। তাৰ পাছত, সন্ন্যাসীৰ সাজ-পাৰ পিন্ধি নোলোৱালৈকে তুমি মুক্ত হ'ব নোৱাৰিবা।"

তেমিয়ৰ কথা শুনি সাৰথিয়ে ভাবিলে মই এই ঠাই এৰি গুচি যোৱাৰ পাছত যদি তেমিয় গভীৰ অৰণ্যলৈ সোমায়গৈ মই কেনেকৈ এই মহাৰণ্যৰপৰা তেওঁক বিচাৰি উলিয়াম? —সাৰথিয়ে বোধিসত্বক ক'লে, "প্ৰভু, মই ৰাজধানীলৈ গৈ পুনৰ ইয়ালৈ ঘূৰি নহালৈকে আপুনি ইয়াত থাকিব বুলি কথা দিয়ক। মই আমাৰ ৰজাক ইয়ালৈ লৈ আহিম, আপোনাক দেখুৱাম, কথা ইমানেই।"

বোধিসত্বই সাৰথিক কথা দিলে। সাৰথিয়ে বোধিসত্বক প্ৰণাম কৰি তাৰপৰা তৎক্ষণাৎ গুচি গ'ল।

শূন্য ৰথখন ঘূৰি অহা দেখি পুত্ৰৰ পৰিণামৰ সম্পৰ্কে মাতৃ চন্দ্ৰাদেৱীৰ মনত আৰু সন্দেহৰ অৱকাশ নাথাকিল। তেওঁ পাগলিনীৰ দৰে সাৰথিক সুধিলেগৈ, "শেষ মুহূৰ্ততো মোৰ বোপায়ে একো নক'লেনে? লৰচৰো নকৰিলেনে সি?"

"মা, আপোনাৰ পুত্ৰ বিকলাংগ, বা বোবা, বা কলা একো নহয়; তেওঁ হ'ল জ্ঞানৰ আকৰ। তেওঁ আমাৰ দৰে জীৱন যাপন কৰিবলৈ নিবিচাৰে, কথা মাথোন ইমানেই। মোৰ কথা যদি বিশ্বাস হোৱা নাই, ব'লক চাই আহিবগৈ।" এই বুলি কৈ সাৰথিয়ে সকলো ঘটনাৰ বিতং বিবৰণ দিলে।

সাৰথিৰ কথা শুনি পাগলিনীপ্ৰায় চন্দ্ৰাদেৱী ৰজাৰ ওচৰলৈ লৰি গ'ল।

ৰজাই তৎক্ষণাৎ সপৰিয়ালে অৰণ্যলৈ বুলি ৰাওনা হ'ল পুত্ৰক চাবলৈ।

ইপিনে—ইন্দ্ৰৰ নিৰ্দেশ অনুসাৰে বিশ্বকৰ্মাই তেমিয়ৰূপী বোধিসত্বৰ বাবে এটা পঁজাঘৰ তথা আশ্ৰম সাজি দিলে। ৰজা আৰু ৰাণী সেই পঁজাঘৰ পালেগৈ।

বোধিসত্বই এখন আসন পাৰি পিতৃক বহিবলৈ দিলে। কিন্তু তেওঁ সেই আসনত নবহি মজিয়াত বহিল। তেওঁক তেমিয়ক ক'লে, "বোপা, তুমি হ'লা ৰজাৰ কোঁৱৰ, এনেহেন ভয়ানক অৰণ্যত কিয় থাকিবা? ব'লা ৰাজধানীলৈ ব'লা, তাত সুখেৰে জীৱন কটাবা।"

"দেউতা, আপুনি যি সুখৰ কথা কৈছে, সেই সুখ মোক নালাগে। মই সিংহাসনত নবহিলেও ৰাজ্যখন ৰাজ্যখনতে থাকিব।" বোধিসত্বই ক'লে।

"তেনেহ'লে ময়ো সিংহাসনত আৰু নবহোঁ। মই তপস্যা কৰিবলৈ গুচি যাম।" ৰজাই ক'লে।

"দেউতা, মই সকলো ত্যাগ কৰিলোঁ। সিংহাসনেৰে মই কি কৰিম?" এই কথা কোৱাৰ অন্তত বোধিসত্বই জীৱনৰ গূঢ় অৰ্থ বিশ্লেষণ কৰি পিতৃক জীৱনৰ আলোক দেখুৱালে। তাৰ পাছত প্ৰতিজনেই ত্যাগমন্ত্ৰত দীক্ষিত হৈ সন্ন্যাসী হৈ গ'ল।

বোধিসত্বৰ বাণী বায়ুবেগে সকলোতে বিয়পি পৰিল। কাশীৰ ৰজাই সিংহাসন ত্যাগ কৰি গুচি যোৱা শুনি আন এগৰাকী ৰজায়ো জ্ঞানলাভৰ বাবে বোধিসত্বৰ কাষ চাপিল। ৰজাৰ সৈতে আহিল তেওঁৰ প্ৰজাবৰ্গো। ৰজা আৰু প্ৰজাবৰ্গয়ো সংসাৰ পৰিত্যাগ কৰি সন্ন্যাসী হোৱাৰ পাছত ৰাজধানীৰ সুৰম্য অট্টালিকাবোৰ আনকি পানীৰ দামতো কিনিব খোজা কোনো নোলাল!

বুদ্ধিশ্বৰ

প্ৰখৰ বুদ্ধি থকা সত্বেও কাম-বন নকৰাত তাক ঘৰৰ সকলোটিয়েই লেই লেই ছেই ছেই কৰিছিল। ককায়েক-নবৌৱেকে কথাইপতি উজকাৰ দিছিল'তাক। বহি খোৱা ফুকন'টো বুলি ইতিকিং কৰিছিল। তাক নাগেৰা পিটা দি ঘৰৰপৰা উলিয়াব লাগে বুলিও কৈছিল। তথাপি, কেতিয়াবা বুদ্ধিশ্বৰে গাঁৱৰ আক-তাক যি দিহা-পোহা দিছিল, তাৰে সিহঁতৰ উপকাৰ হৈছিল। গাঁৱৰ কেইজনমানে এদিন বুদ্ধিশ্বৰৰ ককায়েকক ক'লে, "বুদ্ধি বৰ বুদ্ধিমান, জানিছানে নাই। সি তাৰ বুদ্ধি খটুৱাই ঢেৰ আয়-উপাৰ্জন কৰিব পাৰে।"

ককায়েকে বুদ্ধিহীন বুদ্ধিশ্বৰক শুনাই শুনাই কৈছিল, "যদি তাৰ বুদ্ধি একেবাৰে বৈ-বৈ গৈছে—সি মনে খনা পুখুৰীত পানী নাখাই—দিনে দিনে মৰ-গেনেৰা নপৰি, ৰজাৰ ওচৰলৈ গৈ বুদ্ধিৰে বুদ্ধিৰ পাচিটো নেবেচে কিয়?"

নবৌৱেকে কৈ উঠিল, "বোলোঁ—সেইবোৰ আহুকলীয়া কামত তাৰ দৰ্কাৰেই বা কি? থি গজৰ-খাৰৈয়ে কিয় গৰু হৈ ঘাঁহ খাব?"

এইবোৰ মন্তব্য দিনে-নিশাই শুনি শুনি বুদ্ধিশ্বৰে এদিন সঁচাসঁচিকৈয়েই ৰজাৰ ওচৰলৈ গৈ উপহাৰ-পুৰস্কাৰ কিবা এটা অনাৰ চিন্তা কৰিবলৈ ধৰিলে।

দেশৰ ৰজাই বছৰেকত এবাৰকৈ এক বিচিত্ৰ সভা পাতিছিল। সভাত উপস্থিত লোকসকলক তেওঁ কেইটিমান প্ৰশ্ন সুধিছিল। কাৰোবাৰ উত্তৰ শুনি ভাল পালে ৰজাই উপহাৰ দিছিল।

এই বছৰ বুদ্ধিশ্বৰো গ'ল তালৈ। এই বছৰো সভা পতা হৈছিল। ৰজাই সুধিলে, "আমাৰ দেশত কিমান সত্যবাদী মানুহ আছে?"

"এক লাখ সত্যবাদী আছে।" এজনে ক'লে। আন এজনে ক'লে, "শতকৰা দহজন সত্যবাদী আছে।"

বুদ্ধিশ্বৰে কৈ উঠিল, "আপোনাৰ অধীনস্থ পাঁচশগৰাকী কৰ্মচাৰী সত্যবাদী।"

"এই কথাটো কেনেকৈ জানিলা তুমি?" ৰজাই সুধিলে।

"তেওঁলোক সত্যবাদী নোহোৱাহেঁতেন আপুনি নিশ্চয় তেওঁলোকক কামৰপৰা বিতাড়িত কৰিলেহেঁতেন।"

ৰজাই পুনৰ সুধিলে, "মোৰ মনে খোৱা কৰ্মচাৰী মইনো ক'ত পাম?"

"খুজিলে নিশ্চয় পাব।"

ৰজাই ক'লে, "এইবাৰ এনেকুৱা মিছা এষাৰ কোৱা, যি কথাষাৰ কোনেও বিশ্বাস নকৰিব।"

এজনে ক'লে, "মোৰ মূৰ বিষাইছে।" আন এজনে ক'লে, "মই আকাশত উৰি ফুৰিছোঁ।"

"মোৰ ভৰি নাছিল, আন মৰা মানুহৰ ভৰি যোৰা লগাই লৈছোঁ!" এজনে ক'লে।

"এই সভাত উপস্থিত থকা প্ৰতিজনেই আচলতে মহ।" বুদ্ধিশ্বৰে ক'লে।

তাৰ পাছত সভা ভংগ হ'ল। ৰজাই কিছুমান উত্তৰ প্ৰদানকাৰীক উপহাৰাদি দিলে। বুদ্ধিশ্বৰেও ৰজাৰপৰা উপহাৰ নোপোৱাকৈ নাছিল; কিন্তু বৰ উল্লেখযোগ্য নহয়। সি পাইছিল এখিলি পাণ, এযোৰ চুৰিয়া, এটা সোণৰ মোহৰ, আৰু ৰজাৰ লগত একেলগে বহি খোৱাৰ নিমন্ত্ৰণ।

বুদ্ধিশ্বৰে চুৰিয়াযোৰ দুজন মানুহক দান কৰি দিলে। তাৰ পাছত ৰজাৰ লগত বহি খাবলৈ গ'ল। অন্যান্য নিমন্ত্ৰিতই ৰজাই দিয়া নতুন চুৰিয়া পিন্ধি

আহিছিল। প্ৰতিজনেই ৰজাৰ ঘৰৰ ভাল ভাল খাদ্য খাইছিল পেট পূৰাই। কিন্তু বুদ্ধিশ্বৰে কেৱল ভাত আৰু এখন আঞ্জাৰে খালে। আৰু এই কথালৈ ৰজায়ো লক্ষ্য নকৰাকৈ নাথাকিল।

পাছত ৰজাই বুদ্ধিশ্বৰক মতাই অনাই সুধিলে, "মই উপহাৰস্বৰূপে তোমাক এযোৰ চুৰিয়া দিছিলোঁ, তুমি নিপিন্ধিলা কিয়? ভাল খাদ্য নাখালা কিয়?"

ৰজাৰ প্ৰশ্নৰ উত্তৰত বুদ্ধিশ্বৰে নম্ৰতাৰে ক'লে, "মহাৰাজ, মই অতি দৰিদ্ৰ। আপুনি দিয়া সেই চুৰিয়াযোৰ আছিল আছিল অত্যন্ত দামী। আজি যদি সেই দামী চুৰিয়া পিন্ধো, পাছত আকৌ এই কম দামৰ চুৰিয়া পিন্ধিব নালাগিব জানো? মই সেই কাৰণে সেই চুৰিয়াযোৰ দান কৰিলোঁ, প্ৰতিদিন যেনেকুৱা খাদ্য খাওঁ তাকে খালোঁ। ৰজাৰ আমন্ত্ৰণ গৌৰৱৰ বিষয়; কিন্তু মোৰ নিজস্বতা নথকা নহয়, মহাৰাজ।"

"মই যে সোণৰ মোহৰ দিছিলোঁ—সেইটোও দান কৰি দিলানে?" ৰজাই সুধিলে বুদ্ধিশ্বৰক।

"নহয় মহাৰাজ, সেই সোণৰ মোহৰটো মই মোৰ ককাইদেউৰ কাৰণে ৰাখি থৈছোঁ। মোক তেৱেঁই সৰুৰেপৰা পালন-পোষণ কৰি আহিছে, আৰু এতিয়াও তেৱেঁই মোক খুৱায়। এতেকে—এই মোহৰটো মোৰ নহয়, তেওঁৰহে প্ৰাপ্য।"

বুদ্ধিশ্বৰৰ উত্তৰ শুনি ৰজাই বেয়া নাপালে। বিশেষকৈ, তাৰ ককায়েকৰ সম্পৰ্কে তাৰ মনত থকা নিষ্ঠাৰ প্ৰকাশ দেখি ৰজা মোহিত হ'ল। ৰজাই বুদ্ধিশ্বৰৰ এই সততা, নিষ্ঠা আৰু সৰলতাৰ পুৰস্কাৰস্বৰূপে তাক এহেজাৰ সোণৰ মুদ্ৰা উপহাৰ দিয়াৰ উপৰিও তাক যথাযোগ্য পদত মকৰল কৰি সততাৰ শলগ ল'লে।

আমেৰিকাৰ বিচিত্ৰ পশু

উত্তৰ আমেৰিকাৰ এবিধ বিচিত্ৰ চৰায়ে বিচিত্ৰধৰণে খাদ্য বিচাৰি ফুৰে। এই চৰাইহঁতে পোখৰত থাকি ভাল পায়। ইহঁতে সৰু সৰু চৰাই ধৰি খায়। কেৱল চৰাই নহয়, চৰাইৰ কণীও ইহঁত খাবলৈ বৰ ভাল পায়। এন্দুৰ, নিগনি, ভেকুলী আদিও এই চৰাইবিলাকৰ প্ৰিয় খাদ্য। হাবি-বনত খাদ্য বিচাৰি নাপালে ইহঁতে লোকালয়লৈ যায় আৰু কুকুৰাৰ কণী চুৰি কৰি খায়। ক'ৰবাত অতি সামান্য শব্দ উঠিলেও ইহঁতে বিজুলীগতিৰে উৰি পলায়।

এই চৰাইবিলাকক এককথাত চৰাই বুলিও ক'ব নোৱাৰি। ইহঁতৰ ঠেং বৰ লাগে। আঙুলিবিলাকৰ মাজত চামৰা নাই। ইহঁত দ্ৰুতগতিৰে সাঁতোৰে। গভীৰ পানীত ডুবি আগঠেঙেৰে মাছ ধৰি আনে। ইহঁতে চৰাই, এন্দুৰ, ভেকুলী, বা কণী—যিয়েই নাখাওক, পানীৰে ভালকৈ ধুইহে খায়।

এসময়ত এই চৰাইবিলাকৰ চামৰাৰে মূল্যৱান পোছাকপাতি প্ৰস্তুত কৰা হৈছিল। এশতিকামানৰ আগতে এই চৰাইৰ ছাল মুদ্ৰাৰ সলনি বিনিময়ৰ কামত প্ৰচুৰ পৰিমাণে ব্যৱহাৰ কৰা হৈছিল।

ইহঁতে সাধাৰণতে গছৰ খোৰোঙত থাকে। আকৌ—আন প্ৰাণীৰ গাঁতৰ ভিতৰত থাকিও বেয়া নাপায়।

এই চৰাইহঁতে শৰতকালিতে জাৰকালিত একাঠাই বিচাৰি ফুৰা দেখা যায়। জাৰকালি ইহঁতে গভীৰভাৱে টোপনিয়ায়। বতৰ যেতিয়া অলপ তপত হৈ উঠে, তেতিয়াই ইহঁতে পুনৰ খাদ্য বিচাৰি ওলায়।

চান্দমামা

চিত্তাকৰ্ষক আৰু জ্ঞানবৰ্ধক উৎকৃষ্ট মাহেকীয়া

* চান্দমামাই পুৰাণ আৰু সাহিত্যৰ শ্ৰেষ্ঠ ৰচনাসমূহক সুষ্ঠুভাৱে প্ৰকাশ কৰে।
* চান্দমামাই উদাৰ দৃষ্টিভংগীৰে আৰু সহজতম ভাষাৰে বিশ্ব-সাহিত্য পৰিবেশনা কৰে।
* চান্দামামাই সহজ-সৰল-নিৰ্মল বৰ্ণনাৰ যোগেদি পাঠক-পাঠিকাৰ আনন্দবৰ্ধন কৰাৰ লগে লগে জ্ঞানৰ সম্ভলো যোগায় আৰু তাৰ ফলত পাঠক-পঠিকাৰ উৎসাহো বৃদ্ধি পায়।
* চান্দমামাই পুৰাণ-গাথাসমূহৰ সৈতে প্ৰামাণ্যভাৱে পাঠকক চিনকি কৰাই দিয়ে।
* শিশু তথা চেমনীয়াসকলৰ বাবে প্ৰকাশিত চান্দমামাই সিহঁতৰ প্ৰাণত আনন্দ তথা উদ্দীপনা কঢ়িয়াই আনে।
* চান্দমামা কেৱল আপোনাৰ নহয়, আপোনাৰ আত্মীয়-স্বজন, বন্ধু-বান্ধৱসকলৰো এক অপৰিহাৰ্য্য পাঠ-মাধ্যম। চান্দমামা নিজে পঢ়ক, আনলৈকো উপহাৰ দিয়ক।

তেৰটা ভাষাত চান্দমামা প্ৰাকাশিত হয়। আপুনি নিম্নলিখিত যিকোনো ভাষাৰ চান্দমামাৰ গ্ৰাহক হ'ব পাৰে:

তেলুগু, তামিল, হিন্দি, ইংৰাজী, অসমীয়া, গুজৰাটী, কন্নড়, মালয়ালম, মৰাঠী, ওড়িয়া, বাংলা, পঞ্জাবী আৰু সংস্কৃত ভাষাত চান্দমামা প্ৰকাশিত হয়।

চান্দমামাৰ বছৰেকীয়া বৰঙণি ৩০·০০ টকা মাথোন।

আপুনি কোন ভাষাৰ চান্দমামা ল'ব—তাৰ উল্লেখ কৰি, তলৰ ঠিকনালৈ টকা পঠাওক:

ডল্টন এজেন্সিজ

চান্দমামা বিল্ডিংছ, ভাদাপালানি, মাদ্ৰাজ-৬০০ ০২৬

ফটো-নামকৰণ প্ৰতিযোগিতা : : পুৰস্কাৰ ৫০ টকা

পুৰস্কৃত নাম ১৯৮৬ চনৰ মাৰ্চ সংখ্যাত প্ৰকাশিত হ'ব

- ফটো-নামকৰণ দুই-তিনিটা শব্দৰ ভিতৰত হ'ব লাগিব আৰু শব্দ কেইটাৰ মাজত ছন্দগ মিল থাকিব লাগিব। ১৯৮৬ চনৰ জানুৱাৰি মাহৰ ২০ তাৰিখৰ ভিতৰত আমাৰ হাতত পোৱাকৈ পঠাব লাগিব। উক্ত তাৰিখৰ পাছত অহা চিঠি গ্ৰহণযোগ্য নহ'ব।
- সৰ্বশ্ৰেষ্ঠ-নামকৰণকাৰীক (দুটা নামকৰণ বাবে) সৰ্বমুঠ ৫০ টকা পুৰস্কাৰ দিয়া হ'ব।
- ফটো-নামকৰণ কেৱল প'ষ্টকাৰ্ডত লিখি তলৰ ঠিকনালৈ পঠাব লাগিব :

ঠিকনা : CHANDAMAMA PHOTO CAPTION COMPETETION, (ASSAMESE)
POST BOX NO. 9116 CALCUTTA-700 016.

১৯৮৫ চনৰ নৱেম্বাৰ মাহৰ ফটো-নামকৰণ প্ৰতিযোগিতাৰ ফলাফল :

প্ৰথম ফটো : আদাক দেখি উঠিল গা দ্বিতীয় ফটো : কেতুৰীয়ে বোলে মোকো খা

পুৰস্কাৰ পাওঁতা : অনামিকা ৰায়, বি এন কলেজ, ধুবুৰী।

[পুৰস্কাৰৰ ৫০ টকা এই মাহৰ শেষৰ ফালে পঠোৱা হ'ব]

['জানিবলগীয়া'ৰ উত্তৰ]

১। ৰবিশংকৰ আৰু উদয়শংকৰ ২। বাঁহী ৩। উস্তাদ বিছমিল্লা খাঁ

৪। গজল ৫। এম্ এছ শুভলক্ষ্মী।

Printed by B.V. REDDI at Prasad Process Private Ltd., 188 N.S.K. Salai, Madras 600 026 (India) and Published by B. VISWANATHA REDDI on behalf of CHANDAMAMA PUBLICATIONS, Chandamama Buildings, Vadapalani, Madras 600 026 (India). Controlling Editor: NAGI REDDI.

The stories, articles and designs contained herein are exclusive property of the Publishers and copying or adapting them in any manner will be dealt with according to law.

CHANDAMAMA

It unfolds the glory of India—both past and present—through stories, month after month.

Spread over 64 pages teeming with colourful illustrations, the magazine presents an exciting selection of tales from mythology, legends, historical episodes, glimpses of great lives, creative stories of today and knowledge that matters.

In 12 languages and in Sanskrit too.

Address your subscription enquiries to:

DOLTON AGENCIES 188 N.S.K. ROAD MADRAS-600 026

“যিদিনা মই মোৰ প্ৰথম শালমন আৱিষ্কাৰ কৰিলো…
সেইদিনাই মই আৱিষ্কাৰ কৰিলো ক্লিয়াৰেচিল।”

সেই দিনটোৰ কথা মোৰ আজিও মনত পৰে। মনত কিমান যে উৎকণ্ঠা…মোৰ বাইদেউৰ বিয়ালৈ আৰু মাথো এসপ্তাহ আছে। আৰু মই নতুন কাপোৰেৰে সাজি-কাচি দাপোণৰ আগত ঠিয় দিলো। কিন্তু ই কি…মোৰ গালত এয়া কিহৰ দাগ…ইযে শালমন। ই আছিল মোৰ প্ৰথম শালমন। কিন্তু এই সময়ত…নাই নাই, এতিয়াতো ওলাব নালাগিছিল।

সেই সময়তে সোমাই আহে বাইদেউ, মোৰ মুখলৈ চায়। তেওঁ কলে “হেৰ’ পাগলী, এই বয়সত সকলোৰে শালমন ওলায়। মোৰো ওলাইছিল, সোয়ে মই লগালো ক্লিয়াৰেচিল। তয়ো লগোৱা উচিৎ।” মই তাকেই কৰিলো। আৰু কি জানে? সুফলো পালো। এতিয়া আৰু মই কব নালাগে যে বিয়াখন মই ভালদৰেই উপভোগ কৰিলো।

ক্লিয়াৰেচিলে শালমন পৰিষ্কাৰ কৰাত সহায় কৰে আৰু ই বিয়পি পৰাটোও ৰোধ কৰে।

OBM 5687 AS

ক্লিয়াৰেচিল

শালমনৰ বিশেষজ্ঞ যি সঁচাকৈয়ে প্ৰভাৱশালী

খেল, খেলনা, কমিক্স বোৰিং
ৰবিক লাগে আৰু ইন্টাৰেষ্টিং
নিজেই ভাবিব, নিজেই আঁকিব
দিনৰ দিনটো মজাৰে কাটিব!
এক' স্কেচ পেন হাতত ললে
ঘৰ আজিলে, জাহাজ আঁকিলে
দেউতাকৰ বৰ বৰ দাড়ি, এজন চিকাৰী
এটি ভাটো, আৰু কতযে কি!
হালধীয়া, কমলা, বেঙুনীয়া, ক'লা
গুলপীয়া, ভায়োলেট, বাদামী, ৰঙা
সেউজীয়া, নীলা চব ৰঙেই পাবা
অতি ভাল স্কেচ পেন এক'হে লবা!
এক'
স্কেচ পেন — ৰঙৰ মজা! আঁকা-আঁকিৰ ৰজা!
প্ৰিচিশ্যন ৰাইটিং পইণ্টচ প্ৰাঃ লিঃ, ১৮, সুভাষ ৰোড, ভিলে পাৰ্লে (পূব) বোম্বাই-৪০০ ০৫৭ ফোন : ৬০৪০৩০৫, ৬০৪৩৫৫৬.
EKCO